# স্মৃতিগ্ৰন্থ
# SOUVENIR

গুৱাহাটী বিশ্ববিদ্যালয়
আন্তঃ মহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ
(কেন্দ্ৰীয় মণ্ডল)

## সুৰেন দাস মহাবিদ্যালয়, হাজো

২৫-২৭ এপ্ৰিল, ২০১৯















# স্মৃতিগ্ৰন্থ
# SOUVENIR

গুৱাহাটী বিশ্ববিদ্যালয়

আন্তঃ মহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ, ২০১৮-১৯

(কেন্দ্ৰীয় মণ্ডল)

সুৰেন দাস মহাবিদ্যালয়, হাজো

২৫-২৭ এপ্ৰিল, ২০১৯

**Gauhati University**
**Inter College Zonal Youth Festival, 2018-19 (Central Zone)**
**SUREN DAS COLLEGE, HAJO**

**DATE : 25TH - 27TH APRIL, 2019**

*সম্পাদনা*

**ড° ৰীপিমা বুজৰবৰুৱা**

**Souvenir :** Gauhati University Inter College Zonal Youth Festival, 2018-19 (Central Zone), Organised by Suren Das College, Hajo, edited by Dr. Ripima Buzarbaruah and published by Suren Das College, Hajo.

প্ৰকাশক ঃ সুৰেন দাস মহাবিদ্যালয়, হাজো

ISBN : 978-81-923806 1-2

সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° হিৰণ্য কুমাৰ শৰ্মা |
| উপদেষ্টা | ঃ | ড° প্ৰবীন চন্দ্ৰ দাস |
| সম্পাদক | ঃ | ড° ৰীপিমা বুজৰবৰুৱা |
| সদস্য | ঃ | ড° অঞ্জনা শৰ্মা |
| | | শ্ৰীবিশ্বজিৎ কলিতা |
| | | ড°ৰঞ্জু ঠাকুৰীয়া |
| | | ড° বিনীতা দেৱী |
| | | শ্ৰীঅনিৰুদ্ধ মেধি |

বেটুপাতৰ শিল্পী ঃ বিষ্ণু কোঁৱৰ

প্ৰথম প্ৰকাশ ঃ এপ্ৰিল, ২০১৯
সুৰেন দাস মহাবিদ্যালয়, হাজো

মুদ্ৰণ ঃ ভৱানী অফ্ছেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্ৰাঃ লিঃ
লাচিত লেন, ৰাজগড় ৰোড, গুৱাহাটী-৭

গুৱাহাটী বিশ্ববিদ্যালয়
**GAUHATI UNIVERSITY**

**Dr. Mridul Hazarika**
Vice Chancellor
Phone : +91-361-2570412 (O); 2570408 (R)
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in
hazarika50@gmail.com

# MESSAGE

It gives me immense pleasure to know that Suren Das College, Hajo is going to organize the ***Gauhati University Inter-College Youth Festival (Central Zone)*** from 25th April to 27th April, 2019.

The Organizing Committee of the festival has let me know about its plan to bring out a Souvenir on this occasion. This has given me immense pleasure as I believe that such an effort would add to the glory of the occasion and contribute to the strengthening of the ardour of students of different colleges under Gauhati University taking part in the occasion.

I wish the Organizing Committee success in this effort.

Date : 18.04.2019

**( Mridul Hazarika )**

Address :Gopinath Bardoloi Nagar, Jalukbari, Guwahati, Assam 781014
Phone : 0361 257 0412
Web : www.gauhati.ac.in

**Dr. Ranjan Kr Kakati,**
**Director, Students' Welfare**
**& Secretary, GU Sports Board**

**Gauhati University**
**Gopinath Bardoloi Nagar**
**Guwahati-781014, Assam**

Ref. No. GU/DSW/Misc/2019/

Date 22.04.2019

# MESSAGE

*It gives me immense pleasure to know that Suren Das College, Hajo is organizing GU Inter College Zonal Youth Festival (Central Zone) w.e.f. 25-27 April, 2019 under GU Sports Board to unearth the hidden talents of Gauhati University Students in the field of Music, Culture, Literature & Fine Arts.*

*As a part of the festival, the organizing committee is going to publish a souvenir and it will contribute a lot to the students' community and the society. I offer my best wishes to the college authority as well as organizing committee members to make the festival a grand success. Undersigned also convey Good luck to all the participants to show their best talents.*

*At last I offer my hearty congratulations to the Principal and the organizing committee members for their active role in organizing such a prodigious festival under Gauhati University.*


Director, Students' Welfare
Gauhati University &
Secretary, GU Sports Board

**Phone & Fax No: 0361-2670297; Email id: dsw@gauhati.ac.in ; website: www.gauhati.ac.in**

# সূচী পত্ৰ


- অধ্যক্ষৰ মেজৰ পৰা / ৬
- সম্পাদকীয় / ৯
- To Play is Divine ♦ *Prof. Dr. Mukunda Madhava Sharma* / ১১
- আন্তঃ বিশ্ববিদ্যালয় যুৱ মহোৎসৱৰ প্ৰথম অভিজ্ঞতাৰ এচেৰেঙা ♦ ড° *প্ৰবীণ চন্দ্ৰ দাস* / ১৪
- মানৱ সম্পদৰ বিকাশত সহ পাঠ্যক্ৰম কাৰ্যাৱলীৰ ভূমিকা ♦ ড° *ৰীপিমা বুজৰবৰুৱা* / ১৭
- যুৱ সমাজৰ সন্মুখত অনেক প্ৰত্যাহ্বান ♦ ড° *দয়ানন্দ পাঠক* / ২০
- Leadership Qualities - One Must Have ♦ *Dr. Ranjan Kr. Kakati* / ২৩
- অসমীয়া আধুনিক গীত ঃ এটি চমু সমীক্ষা ♦ ড° ৰঞ্জু ঠাকুৰীয়া / ২৫
- সত্ৰীয়া নাচ- এটি চমু আভাস ♦ ড° *পংকজ নমঃশূদ্ৰ* / ২৮
- পৱিত্ৰ উত্তম হাজো ♦ *শ্ৰী শ্ৰীপ্ৰকাশ দাস* / ৩১
- সুৰেন দাস মহাবিদ্যালয়, হাজো ঃ এক বিহংগম দৃষ্টি ♦ ড° *বিনীতা দেৱী* / ৩৭
- Committees & Sub Committees / ৪০
- Programme / ৪৬
- List of Participating Colleges / ৪৭

# অধ্যক্ষৰ মেজৰ পৰা...



**হাজো**ৰ ঐতিহ্য অসমৰ লগতে ভাৰতৰ ইতিহাসৰ বাবেও এক গৌৰৱময় অধ্যায়। পঞ্চতীৰ্থ আৰু পোৱামক্কা দৰগাহৰ অৱস্থিতিয়ে মহামিলনৰ তীৰ্থভূমি ৰূপে হাজোক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰিছে।

শিক্ষা সংস্কৃতি সকলো ক্ষেত্ৰতে এক বিশেষ স্থান লাভ কৰা হাজোত ষাঠীৰ দশকৰ পৰাই উচ্চ শিক্ষা প্ৰদানৰ বাবে এখন মহাবিদ্যালয় স্থাপন কৰাৰ চিন্তা-চৰ্চা চলিছিল। তাৰেই ফলশ্ৰুতিত সেই সময়ৰ বৃহত্তৰ হাজো অঞ্চলৰ বিদ্যোৎসাহী তথা জ্ঞান-পিপাসু এচাম লোকৰ প্ৰচেষ্টা তথা ত্যাগৰ বিনিময়ত অৱশেষত ১৯৭৯ চনৰ ২৯ আগষ্টত গঢ় লৈ উঠা অনুষ্ঠানখনে জন্মলগ্নৰে পৰা আজিকোপতি উচ্চ শিক্ষাৰ ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজৰ আশা আকাংক্ষা পূৰণ কৰিবলৈ চেষ্টা চলাই আহিছে।

আৰম্ভণিতে নিজৰ ভূমি আৰু ভৱনৰ অভাৱত থকা মহাবিদ্যালয়ৰ শ্ৰেণীসমুহ হাজো এচ.বি.এচ. কে. আৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈছিল। মহাবিদ্যালয়খনে স্থায়ী ঠিকনা লাভ কৰিলে হাজোৰ ধোপৰগুৰি সত্ৰই প্ৰদান কৰা ভুমিত হাজোৰ বিশিষ্ট ব্যৱসায়ী প্ৰয়াত সুৰেন দাস দেৱৰ পৰিয়ালবৰ্গই নিৰ্মাণ কৰি দিয়া দুমহলীয়া ভৱনটো লাভ কৰাৰ





পিছত (১৯৮৬)। ১৯৮৭ চনত মহাবিদ্যালয়খনে অসম চৰকাৰৰ ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়ত পৰিণত হয়। ১৯৯৮ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ ২F ১২B ৰ স্বীকৃতি লাভ কৰে। ইতিমধ্যে National Assessment and Accreditation Council অৰ দ্বাৰা মহাবিদ্যালয়খন ২০০৫ আৰু ২০১৫ চনৰ পৰিদৰ্শন কৰোৱা হৈছে আৰু মহাবিদ্যালয়খনে ২০১৫ চনৰ পৰিদৰ্শনত B Grade লাভ কৰিবলৈ সক্ষম হৈছে।

এটি বীজে অংকুৰিত হৈ সময়ত এজোপা বৃহৎ বটবৃক্ষৰ ৰূপ লোৱাৰ দৰে "সুৰেন দাস কলেজ হাজো"-এই মহাবিদ্যালয়খনেও আজি সময়ৰ ঘাট-প্ৰতিঘাট নেওচি এক বৃহৎ অনুষ্ঠানত পৰিণত হৈছে। হাজো ১ নং গাঁও পঞ্চায়ত সমবায় সমিতিয়ে নিৰ্মাণ কৰা বিজ্ঞান ভৱন আৰু বিশ্ববিদ্যালয় অনুদান আয়োগ, অসম চৰকাৰ তথা 'RUSA' ৰ পৰা অহা অৰ্থ সাহায্যত মহাবিদ্যালয়খনত ইতিমধ্যে এটি অত্যাধুনিক সা-সুবিধা সম্বলিত পুথিভঁৰাল, ছাত্ৰী নিবাস, চেমিনাৰ হল, উন্নত প্ৰযুক্তি সম্পন্ন প্ৰেক্ষাগৃহ, বাস্কেট বলৰ কৰ্ট আদি নিৰ্মাণ কৰা হৈছে। আনহাতে বিশ্ববিদ্যালয় আৰ্থিক অনুদানেৰে ইনডোৰ ষ্টেডিয়ামৰ নিৰ্মাণৰ কাৰ্য চলি আছে।

মই ২০১৬ চনৰ ৪ আগষ্ট তাৰিখে এই মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰোঁ। যোৱা প্ৰায় আঢ়ৈ টা বছৰত মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত আমি প্ৰচেষ্টাৰ ত্ৰুটি কৰা হোৱা নাই। মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ প্ৰথম বৰ্ষই ইতিমধ্যে অনুমোদন লাভ কৰিছে আৰু দ্বিতীয় বৰ্ষৰ অনুমোদন প্ৰক্ৰিয়া চলি আছে। যোৱা ২০১৮-১৯ শিক্ষা বৰ্ষৰ পৰা বিজ্ঞানৰ স্নাতক পৰ্যায়ৰ শ্ৰেণীসমূহ আৰম্ভ কৰা হৈছে আৰু তাৰ বাবে গুৱাহাটী বিশ্ব বিদ্যালয়ৰ তৰফৰ পৰা যাৱতীয় অনুমোদন আৰু পৰিদৰ্শনৰ কাম সম্পূৰ্ণ হৈছে। সৌভাগ্যৰ কথা এয়ে যে যোৱা বেলি অসম চৰকাৰৰ উদ্যোগত অসমৰ পঞ্চাছখন ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়ত বিজ্ঞানৰ শাখা খোলাৰ যি অনুমোদন দিয়া হৈছে, তাত আমাৰ মহাবিদ্যালয়খনো অন্তৰ্ভুক্ত হৈছে। কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ শ্ৰেণীসমূহ চলি আছে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ৰাজনীতি বিজ্ঞান বিভাগত স্নাতকোত্তৰ পৰ্যায়ৰ শ্ৰেণী আৰম্ভ কৰিবলৈ পৰিদৰ্শন কৰোৱা হৈছে। বৃহত্তৰ হাজো অঞ্চলৰ বিদ্যোৎসাহী ব্যক্তি তথা শিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে মহাবিদ্যালয়খনে আনুষ্ঠানিক শিক্ষাৰ উপৰিও কম্পিউটাৰ শিক্ষাৰ বাবে P.G.D.C.A. ৰ লগতে এমট্ৰ'নৰ সহযোগত কম্পিউটাৰৰ বিভিন্ন পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰিছে। অহাবেলি B.C.A. পাঠ্যক্ৰম আৰম্ভণি কৰিবৰ বাবেও যাৱতীয় ব্যৱস্থা হাতত লোৱা হৈছে। ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ পৰা লাভ কৰা অনুদানৰ ধনেৰে লাইব্ৰেৰীত e-resource, মহাবিদ্যালয়ৰ Wi-fi ৰ কাম সম্পন্ন কৰা হৈছে। RUSA ৰ পৰবৰ্ত্তী পৰ্যায়ৰ ধনেৰে শ্ৰেণী কোঠাৰ বাবে এটা তিনি মহলীয়া ভৱন আৰু পুথিভঁৰালৰ পৰিবৰ্দ্ধনৰ পৰিকল্পনা কৰা হৈছে।

ছাত্ৰ-ছাত্ৰী শাৰীৰিক, মানসিক আৰু বৌদ্ধিক উন্নতিকল্পে মহাবিদ্যালয়খনে সময়ে সময়ে বিভিন্ন ধৰণৰ প্ৰতিযোগিতামূলক খেল-ধেমালি লগতে প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আহিছে। মহাবিদ্যালয়খনে ইতিমধ্যে সফল ভাৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় খেল প্ৰতিযোগিতা (১৯৯৬ চনত ফুটবল আৰু ২০১৫ চনত ভলীবল প্ৰতিযোগিতা) অনুষ্ঠিত কৰিছে। যোৱা বেলি ২০১৭-১৮ বৰ্ষত আন্তঃমহাবিদ্যালয় কাবাডী আৰু আচাৰী প্ৰতিযোগিতা সফলভাৱে অনুষ্ঠিত হৈ গৈছে। যোৱা ১১/০৩/২০১৯ তাৰিখে আন্তঃমহাবিদ্যালয় আৰ্চাৰী আৰু টেবুল টেনিছৰ এদিনীয়া প্ৰতিযোগিতা এখনিও সম্পন্ন হৈ গৈছে। আমাৰ বাবে সৌভাগ্যৰ কথা এয়ে যে এইবেলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় মণ্ডলৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ অহা ২৫, ২৬, ২৭ এপ্ৰিল, ২০১৯ তাৰিখে আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰিবলৈ বিশ্ববিদ্যালয়ে দায়িত্ব অৰ্পণ কৰিছে।

আমি আশা ৰাখিছো মহাবিদ্যালয়ৰ পৰিয়ালৰ লগতে অঞ্চলটোৰ ৰাইজৰ সহযোগত বিশ্ববিদ্যালয়ে অৰ্পণ কৰা এই গুৰু দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ সক্ষম হ'ম্হি। যুৱ মহোৎসৱৰ দৰে অতি গুৰুত্বপূৰ্ণ অনুষ্ঠান এটি অনুষ্ঠিত কৰিবলৈ আমি সাধ্যানুসাৰে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ পিছতো অজানিত ভাৱে হোৱা ভুল ত্ৰুটিৰ বাবে সদাশয় সদৌটিৰ ওচৰত আমি ক্ষমা প্ৰাৰ্থনা কৰিলোঁ। পৰিশেষত অভ্যাগত নিমন্ত্ৰিত, আমন্ত্ৰিত বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক, অধ্যাপিকা মণ্ডলিৰ লগতে অনুষ্ঠানটোৰ আটাইকেইদিনতে উপস্থিত থকা সুধিবৃন্দলৈ আমাৰ আন্তৰিক অভিনন্দন কৃতজ্ঞতা তথা সাদৰ সম্ভাষণ জনালোঁ।

জয়তু সুৰেন দাস মহাবিদ্যালয়, হাজো

(ড° হিৰণ্য কুমাৰ শৰ্মা)
অধ্যক্ষ
সুৰেন দাস মহাবিদ্যালয়, হাজো





# সম্পাদকীয়

**প্ৰচুৰ** সম্ভাৱনাৰে পৰিপূৰ্ণ, প্ৰাণ চঞ্চল, উচ্চ শিক্ষা জগতৰ যুৱক-যুৱতীৰ বাবে 'যুৱ মহোৎসৱ' হৈছে নিজৰ প্ৰতিভা বিকাশৰ এক অতি উপযুক্ত মঞ্চ। ব্যক্তিৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু চাৰিত্ৰিক সামৰ্থ্যৰ গঢ় দিয়া কিছুমান কাৰ্য বা অভিজ্ঞতাই হৈছে শিক্ষা। গতিকে শিক্ষা কেৱল শ্ৰেণীকোঠাৰ চাৰিবেৰৰ মাজত সীমাবদ্ধ নহয়। শিক্ষা এনে হোৱা উচিত যিয়ে ব্যক্তিৰ সামগ্ৰিক বিকাশত সহায়ক হয়। আজিৰ বিশ্বায়নৰ যুগত বহুতো উচ্চ শিক্ষিত মেধাৱী ছাত্ৰ-ছাত্ৰী বস্তুবাদী ধ্যান ধাৰণাৰে পৰিচালিত হৈ যন্ত্ৰলৈ পৰ্যবসিত হোৱা সময়ত, সুকুমাৰ কলাসমূহৰ প্ৰয়োজনীয়তা আগতকৈ অধিক হোৱা যেন অনুভৱ হয়। যুৱ মহোৎসৱৰ অন্তৰ্গত প্ৰতিযোগিতাসমূহৰ বিভিন্ন বিষয় যেনে-গীত, নৃত্য, নাটক, সাহিত্য, ভাস্কৰ্য, চিত্ৰকলা আদি সুকুমাৰ কলাৰ অন্তৰ্গত। পুথিগত বিদ্যাৰ লগতে সুকুমাৰ কলাসমূহৰ চৰ্চাই নিশ্চিতভাৱে জীৱনটোক অধিক প্ৰাণৱন্ত আৰু উপভোগ্য কৰি তুলিব আৰু তেওঁলোকৰ সন্মুখত বস্তুবাদী পৃথিৱীখনৰ লগতে এখন নন্দনতাত্বিক পৃথিৱীৰ দ্বাৰ উন্মোচন কৰিব।

প্ৰায় ১৫০০ বছৰ পূৰ্বেই মহাকবি ভৰ্তৃহৰিয়ে কৈ গৈছে—

সাহিত্যসঙ্গীতকলাবিহীন ঃ সাক্ষাৎ পশুঃ পুচ্ছবিষাণহীনঃ।
তৃণং ন খাদন্নপি জীৱমানস্তদ্ভাগধেয়ং পৰমং পশূনাম্।।

অৰ্থাৎ সাহিত্য, সঙ্গীত আৰু কলাৰ লগত সম্পৰ্ক নথকা লোক নেজ আৰু শিং নথকা পশুসদৃশ। পশুবিলাকৰ বাবে এয়া পৰম সৌভাগ্যৰ কথা যে এই জীৱবোৰে ঘাঁহ নাখায় (অন্যথা পশুবোৰে খাবলৈ ঘাঁহ নাথাকিলহেঁতেন)।

সাহিত্য কলাই মানুহৰ জীৱনৰ উত্তৰণ ঘটায়। ভৰ্তৃহৰিয়ে কোৱাৰ দৰেই এইবোৰৰ লগত সম্পৰ্ক অবিহনে মানুহ পশুৰ পৰ্যায়লৈ

অৱনমিত হয়। পুথিগত শিক্ষাই মানুহৰ বৌদ্ধিক উত্তৰণ ঘটোৱাৰ বিপৰীতে সুকুমাৰ কলাসমূহৰ চৰ্চাই মানুহৰ মানসিক, আবেগিক আৰু আধ্যাত্মিক উত্তৰণ ঘটায়। গুৱাহাটী বিশ্ববিদ্যালয়ে বৌদ্ধিক বিকাশৰ লগতে যুৱ মহোৎসৱৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক বিকাশৰ বাবে সুযোগ প্ৰদান কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ সদ্ উপযোগৰ জৰিয়তে নিশ্চিতভাৱে নিজৰ সামগ্ৰিক বিকাশ সাধন কৰি এটা সুষ্ঠ আৰু সফল জীৱন পৰিচালিত কৰিব পাৰিব। "সুন্দৰৰ আৰাধনা জীৱনৰ খেল" বুলি কোৱা হয়। বৰ্তমানৰ ভোগসৰ্বস্ব বস্তুবাদী পৃথিৱীখনত বৌদ্ধিক বিকাশৰ লগতে সুকুমাৰ কলাসমূহৰ জৰিয়তে সত্য, শিৱ, সুন্দৰৰ আৰাধনাত ব্ৰতী হ'ব পাৰিলে ই ছাত্ৰ-ছাত্ৰীসকলক জীৱনৰ নিগূঢ় সত্য অনুধাৱন কৰি এটা পৰিপূৰ্ণ জীৱন যাপনৰ বাবে মাৰ্গ দৰ্শন কৰাব।

সুৰেন দাস মহাবিদ্যালয়ত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ (কেন্দ্ৰীয় মণ্ডল) ২০১৯ ৰ লগত সঙ্গতি ৰাখি প্ৰকাশ কৰিবলগীয়া এই স্মৃতিগ্ৰন্থখন প্ৰস্তুত কৰি উলিয়াওঁতে বিভিন্ন পৰামৰ্শেৰে সহায় কৰা বাবে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড০ প্ৰবীণ চন্দ্ৰ দাসদেৱক কৃতজ্ঞতা জনাইছো। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ হিৰণ্য কুমাৰ শৰ্মা আৰু সম্পাদনা সমিতিৰ সদস্য, সহকৰ্মী সকলৰ সহযোগিতাৰ বাবে তেওঁলোকৰ শলাগ লৈছো। তদুপৰি লেখনিৰে স্মৃতিগ্ৰন্থখনি সমৃদ্ধ কৰা আটাইলৈ আন্তৰিক ধন্যবাদ জনাইছো। স্মৃতিগ্ৰন্থখনি সৰ্বাঙ্গ সুন্দৰ কৰিবলৈ প্ৰয়াস কৰা হৈছে যদিও অতি কম সময়ৰ ভিতৰত প্ৰকাশ কৰিবলগীয়া হোৱাত বৈ যাব পৰা ভুল ভ্ৰান্তিৰ বাবে মাৰ্জনা বিচাৰিছো।

ড° ৰীপিমা বুজৰবৰুৱা





# TO PLAY IS DIVINE

■ **Prof. Dr. Mukunda Madhava Sharma**

"All work and no play makes Jack a dull boy." This a western notion. But nowadays there is very little gap between the West and the East. A rapid process of intermingling of cultures between the West and the East may be easily discerned today. Jeans introduced in the West has overnight become popular in the East. and the guru shirt of the East is today equally a hot favourite of the westerners. While Ravishankar of East has won the heart of the west, Cliff Richard from the west has equally captivated the mind of the East. If East and West are supposed to be two adjacent cells and their respective cultures to be cell-saps, then we may say that a constant process of osmosis is going on in between these two cells. Even then some basic characteristics always persist with us, and that is why, we as Indians are supposed to have a somewhat different attitude towards sports and pastime also.

Sports and pastimes were prevalent in India from ancient times as warranted by various reference found in the Sanskrit literature. Men's favourite games were archery and hunting and dice playing was a very popular pastime. Some short of a ball used to be played particularly by the womenfolk. The Sanskrit word for ball is *Kanduka*. The Hindi word *gend* has evolved from this Sanskrit word. A treatise has also been written in Sanskrit on the game of *Kanduka*. The *Mahabharata* story revolves round the game of dice. Pandavas lost their kingdom only because of losing in a game of dice. The drama of *Sakuntala* begins with a scene where the hero Dusyanta is shown to be seeking the pleasure of hunting in the outskrits of the hermitage of Kanva. But the traditional literature is also equally eloquent in denouncing and hunting as *vyasanas* or vices or evil deeds. Law makers like Manu mentions hunting *(Mrigaya)* and dicing *(aksa)* in the very beginning of a list of ten such vyasanas. As against this, Kalidasa, in *Sakuntala*, asserts that hunting is unreasonably denounced as a *vyasana*, whereas it is really a source of great amount of recreation. *(Vrithaiva vyasanam vadanti mrigayam idrig vinodah kutah)*

Since those olden days the situation has much changed. Skipping over to the

modern days we may observe that games and sports and pastimes have come to form an integral part of the Indian life. Yet in certain quarters there is a strong opinion against games and sports and pastimes. More serious people consider playing as a vice. To take part in any game is supposed to be mere wastage of time. There are indeed some people who cannot derive any pleasure from taking part in or witnessing any game because of the fear of getting involved in a guilt. For such people it may be pointed out that games and sports are not so irreligious. on the contrary to play is divine.

According to Indian philosophy each individual being is a part of God, the Supreme Being. Each one is like spark of one original fire, the Supreme self. The spark possesses to qualities of heat and light in the manner of the original fire itself. Likewise the individual self also possesses some of the characteristics of the Supreme Self, the Lord. That is how, it is quite natural on the part of an individual to be fond of games and sports. The Lord is described to be fond of sports. The very act of creating the Universe is described as a sport of the Lord. According to Indian monism the Supreme Reality is the only reality, The Supreme Lord is the only entity. The individual selves are one and identical with the Supreme Self. The separate existense of the individual self is unreal, In so far as it is not a permanent phenomenon. It is only a makeshift arrangement made by the Lord Himself. The Lord was one and all alone. He desired to indulge in sports. That is why He created the individual selves from Himself as His gamemates. The whole act of creating the Universe is a fun for the Supreme Lord. The universe is unreal: it is like a mirage, it is like an image of oneself seen in mirror. Like a child playing with its own reflection in the mirror, the Lord also plays with the individuals created from His own self. The *Bhagavat Purana* presents this analogy of the Lord with the child playing with the image on the mirror with the words *"yatharbhakah svapratibimba vibhramah."*

The Lord creats the individual selves with the intention of playing a game of hide and seek. The Sanskrit word *lila* means a sports. Since, the individual self has emanated from the Supreme Self, it always desires to go back and merge with the Supreme Self. This is the seeking of the individual self. But the Lord likes to be sought and found out with great devotion and a great urge. That is why He keeps Himself hidden from the easy reach of the individual. This is the hiding part of the game. This game of hide and seek is symbolically represented by the *Rasa-Lila* of the *Bhagavata-Purana.* It is a divine sport. That is why it is called a *lila.*

The Supreme Self is an embodiment of Eternity *(sat)*, knowledge *(cit)* and unalloyed joy *(ananda)*. Joy is the very nature of Supreme Self. Hence the individual self by nature always endeavours to derive joy because if its





inherent urge to realise a reunion with its origin, the Supreme Reality. For the individual, to seek pleasure is a part of its divine quest. Games and sports give a pure and harmless joy, which may be recognised as a spark of the divine unalloyed joy, the Supreme Reality.

The Supreme Reality, the Divine Lord is infinite, The pleasure aspect of the Lord is also limitless. There are some pleasure which remain confined to one individual or at best to one or two who directly share it or take part in it. But games and sports are divine, in so far as the joy emanating from them is limitlesss. Quite harmless pleasure is derived from games and sports not only by the direct participants, but also by thousands of spectators. And that is another reason why we may be justified to say that to play is divine.

*Reprinted from the Souvenir of East Zone Inter University Youth Festival, 1986, Gauhati University.*

---

■ *Ex-Vice Chancellor, Dibrugarh University & Retd. Professor, Dept. of Sanskrit, Gauhati University.*

# আন্তঃ বিশ্ববিদ্যালয় যুৱ মহোৎসৱৰ প্ৰথম অভিজ্ঞতাৰ এচেৰেঙা

■ ড° প্ৰবীণ চন্দ্ৰ দাস

ভাৰত চৰকাৰৰ শিক্ষা আৰু সংস্কৃতি মন্ত্ৰণালয় (Ministry of Education and culture)ৰ অধীনত ১৯৫৪ খ্ৰীষ্টাব্দৰ পৰা ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয় সমূহৰ যুৱ ছাত্ৰ সমাজৰ মাজত সাংস্কৃতিক সমাৰোহ আৰু প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। সেই সমাৰোহ আৰু প্ৰতিযোগিতাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজেও অংশ গ্ৰহণ কৰি আমাৰ বিশ্ববিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। সেই অংশগ্ৰহণকাৰী ছাত্ৰদলবোৰৰ নেতৃত্ব দিছিল ড° ভূপেন হাজৰিকা, ড° মহেশ্বৰ নেওগ, ড° ভবেন্দ্ৰ নাথ শইকীয়া প্ৰভৃতি বৰেণ্য ব্যক্তিসকলে।

১৯৫৪ খ্ৰীষ্টাব্দত দিল্লীৰ তালকোটৰাত আৰম্ভ হোৱা আন্তঃ বিশ্ববিদ্যালয় যুৱ সমাৰোহ দহ বছৰ ধৰি অনুষ্ঠিত হৈ অহাৰ পাছত ১৯৬৪ খ্ৰীষ্টাব্দৰ পৰা এক দীঘলীয়া সময়ৰ বাবে তাৰ যতি পৰিছিল। সুদীৰ্ঘ একৈশ বছৰৰ বিৰতিৰ মূৰত ১৯৮৫ খ্ৰীষ্টাব্দৰ পৰা আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱ পুনৰ আৰম্ভ কৰা হৈছিল। সেই যুৱ মহোৎসৱৰ গুৰি ধৰিবলৈ লৈছিল Association of Indian Universities য়ে। মহোৎসৱৰ Association of Indian Universities বা ভাৰতীয় বিশ্ববিদ্যালয় সংস্থাৰ আৰম্ভ হৈছিল ১৯২৫ খ্ৰীষ্টাব্দৰ তেইশ মাৰ্চত। অনুষ্ঠানটোৱে ভাৰতৰ বিশ্ববিদ্যালয় সমূহত অধ্যয়ন ৰত যুৱ সমাজৰ ক্ৰীড়া সংস্কৃতিৰ লগতে অইন প্ৰাসংগিক বিষয়তো সমন্বয়কাৰীৰ ভূমিকা লৈ আহিছে।

মহোৎসৱৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য আছিল—

(i) To create awarness and pride amongst youth to recognise and appreciate our rich cultural heritage thereby promoting national unity amity and integration.

(ii) To promote and encourage art and culture amongst university youths.

(iii) To provide an opportunity for the youth to meet on a common platform to compete in friendly atmosphere for excellence in music Dance, Drama, Library Activities and Fine Arts.

(iv) To provide a forum to the budding artists to manifest their artistic excellence.

(v) To bring about cultural integration through the process of cultural exchange of diverse regions of the indian sub-continent.

(vi) To provide opportunity to the youth for healthy integration with each other especially in the domain of art and culture.

(vii) To enhance the capacity of university youth for aesthetic appreciation and refinement.

(viii) To foster dynamism of youth and enable it to conntribute constructivity to the achievement of social and national goals.

(ix) To channelise energies of youth in constructive pursuits.

(x) To include a spirit of adventure, cooperation and creation of excellence by acquainting youth with our glorious clutural heritage.

১৯৮৫ খ্ৰীষ্টাব্দত আন্তঃৰাষ্ট্ৰীয় যুৱ বৰ্ষ (International year of youth) আছিল। সেই পটভূমিতে ভাৰতীয় বিশ্ববিদ্যালয় সংস্থা বা Association of Indian universities য়ে ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয় সমূহৰ মাজত আন্তঃ বিশ্ববিদ্যালয় যুৱ মহোৎসৱ পুণৰ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। প্ৰসংগক্ৰমে সেই বছৰটো AIU ৰো হীৰক জয়ন্তী বৰ্ষও আছিল।

প্ৰথম পৰ্যায়ৰ সমাৰোহখন চাৰিটা মণ্ডলত ভাগ কৰা হৈছিল পুৱ মণ্ডল, পশ্চিম মণ্ডল, উত্তৰ মণ্ডল আৰু দক্ষিণ মণ্ডল। পৰৱৰ্তী পৰ্যায়ত মাণ্ডলিক সমাৰোহত যোগ্যতা আৰু কৃতিত্ব লাভ কৰা প্ৰতিযোগী বিশ্ববিদ্যালয় দলক লৈ চূড়ান্ত বা ৰাষ্ট্ৰীয় যুৱ মহোৎসৱৰ আয়োজন আঁচনি প্ৰস্তুত কৰা হৈছিল। সেইবাৰ AIU ৰ হীৰক জয়ন্তীবৰ্ষৰ বাবে মহোৎসৱৰ স্থান নিৰ্দ্ধাৰণ কৰা হৈছিল নতুন দিল্লীত, নামাকৰণ কৰা হৈছিল NAMYFEST-85 । AIU ৰ লগত সহযোগিতা কৰিছিল ভাৰত চৰকাৰৰ যুৱ আৰু ক্ৰীড়া বিভাগে।

বহু বছৰৰ বিৰতিৰ মূৰত আন্তঃ বিশ্ববিদ্যালয় যুৱ মহোৎসৱ পুনৰ আৰম্ভ হোৱাৰ প্ৰতিযোগিতালৈ আমাৰ বিশ্ববিদ্যালয়ৰ দল পঠিয়াবলৈ স্থিৰ কৰা হ'ল। গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ সাংস্কৃতিক দিশটো চোৱাৰ দায়িত্ব বিশেষভাৱে মোৰ ওপৰত পৰিছিল কাৰণে বিশ্ববিদ্যালয়ৰ দলটো গঠন কৰাৰ দায়িত্বও মোৰ ওপৰতে ন্যস্ত কৰা হৈছিল। পূৱ মণ্ডলৰ মহোৎসৱ অনুষ্ঠিত হৈছিল বিহাৰৰ ধানবাদত। বৰ্তমান ঝাড়খণ্ডৰ Indian School of Mines বা ভাৰতীয় খনি বিদ্যালয়ত। প্ৰতিযোগিতা হৈছিল সৰ্বমুঠ বত্ৰিশটা বিষয়ত। তাৰে আঠটা বিষয়ত আমাৰ বিশ্ববিদ্যালয়ৰ দলে যোগদান কৰাটো স্থিৰ কৰা হ'ল। শাস্ত্ৰীয় কণ্ঠ সংগীত, শাস্ত্ৰীয় বাদ্য সংগীত, সমবেত গীত, তৰ্ক, কুইজ, দলীয় লোকনৃত্য আৰু একাংকিকা নাট। আঠটা বিষয়ত যোগদান কৰাৰ মূল কাৰণ আছিল দুটা। প্ৰথমতে, প্ৰতিযোগিতাৰ ভালে কেইটা বিষয় তেতিয়াও আমাৰ কাৰণে নতুন অথবা সম্পূৰ্ণ অপৰিচিত আছিল। দ্বিতীয়তে সকলো বিষয়তে অংশ গ্ৰহণ কৰিবলৈ ইমান বৃহৎ দল এটা লৈ যোৱাটো আমাৰ কাৰণে সমস্যা বহুল আছিল।

আমাৰ দলটোত সকলো মিলি সদস্যৰ সংখ্যা আছিল তিয়াল্লিশজন। মূল প্ৰতিযোগী সকলক আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ ফলাফলৰ ভেটিত গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ শ্ৰেণীসমূহ, কটন কলেজ, ডি.কে. কলেজ, মিৰ্জা, অসম ইঞ্জিনিয়াৰিং কলেজ আৰু বিশ্বনাথ কলেজৰ পৰা বাচনি কৰা হৈছিল। দলটোৰ

শিক্ষক তত্বাবধায়কৰ দায়িত্ব লবলগীয়া হৈছিল। বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা বিভাগৰ প্ৰবক্তা ড° প্ৰবীণ চন্দ্ৰ দাস আৰু টংলা কলেজৰ অধ্যাপক বিনয় কুমাৰ মেধিয়ে।

আমাৰ দলটোৱে দলীয় লোকনৃত্যত প্ৰথম, কুইজত দ্বিতীয় আৰু একাংকিকা নাটত তৃতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। দলীয় লোকনৃত্য বিহুনৃত্যৰ নেতৃত্ব দিছিল সোমাথ বৰাই। সোমনাথৰ লগত সহযোগিতা কৰিবৰলৈ প্ৰসেন বৰাক বিশেষভাৱে দেৰগাঁৱৰ পুলিচ ট্ৰেইনিং চেণ্টাৰৰ পৰা অনা হৈছিল। প্ৰসেনে তেতিয়া তাত ট্ৰেইনিং লৈ আছিল। ছোৱালী নৃত্যশিল্পীৰ ভিতৰত ইলোৱনন্দা ৰাজবংশীৰ নাম মনত আছে। সমবেত সংগীতৰ নেতৃত্ব দিছিল বিজয়লক্ষ্মী দাসে। কুইজৰ দলটোত স্নাতকোত্তৰ শ্ৰেণীৰ স্বপনজ্যোতি শৰ্মা আৰু অসম ইঞ্জিনিয়াৰিং কলেজৰ বিষ্ণুপ্ৰসন্ন গগৈ আৰু স্বপ্নব্ৰত লহকৰ আছিল। একাংকিকা নাটকৰ দলটোত মিৰ্জাৰ ডি.কে. কলেজৰ ছাত্ৰ অমূল্য কুমাৰ, ৰবীন দাস, গোপাল দাস আদি আছিল। নাটক আছিল 'পাগলাগান্ধী'। এই সকলৰ উপৰিও আছিল সেই সময়ত জুনিয়ৰ ভূপেন হাজৰিকা বুলি জনপ্ৰিয়তা লাভ কৰা পংকজ দত্ত। তেওঁ Light Vocal বা লঘু কণ্ঠ সংগীত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল।

পূৱ মাণ্ডলিক যুৱ মহোৎসৱৰ সাফল্যৰ ভেটিত আমাৰ দলীয় লোকনৃত্য আৰু কুইজৰ দল দুটাত ১৯৮৫ খ্ৰীষ্টাব্দত নৱেম্বৰ মাহৰ ছয় তাৰিখৰ পৰা দহ তাৰিখলৈ নতুন দিল্লীত অনুষ্ঠিত NAMYFEST-85 লৈ বাছনি কৰা হৈছিল। তাতো আমি দলীয় লোকনৃত্যৰ শাখাত বিহুনৃত্যৰ প্ৰদৰ্শন কৰি প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিলো। ক'বলৈ গলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৰ্বভাৰতীয় আন্তঃ বিশ্ববিদ্যালয় প্ৰতিযোগিতাত বিহুনৃত্যৰ সেয়াই আছিল স্বৰ্ণিল যাত্ৰাৰ আৰম্ভণি।

■ অৱসৰপ্ৰাপ্ত সঞ্চালক, ছাত্ৰ কল্যাণ বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়





# মানৱ সম্পদৰ বিকাশত সহ পাঠ্যক্ৰম কাৰ্যাৱলীৰ ভূমিকা

■ ড° ৰীপিমা বুজৰবৰুৱা

ৰাষ্ট্ৰ এখনৰ বিকাশৰ ক্ষেত্ৰত মানৱ সম্পদৰ গুৰুত্ব অপৰিসীম। দক্ষতা, উপযুক্ততা, শিক্ষাগত অৰ্হতা, উৎপাদনশীলতা, সততা, সাংগঠনিক সামৰ্থ্য, দূৰদৰ্শিতা, কৌশল আদি গুণেৰে বিভূষিত লোক এজন ৰাষ্ট্ৰ এখনৰ বাবে সম্পদ হোৱাৰ বিপৰীতে এনে গুণ নথকা লোকসকল ৰাষ্ট্ৰৰ বাবে বোজা হৈ পৰে। সেইবাবে প্ৰচুৰ কৰ্মশক্তি, প্ৰাণ-প্ৰাচুৰ্য আৰু সম্ভাৱনাৰে পৰিপূৰ্ণ যুৱ প্ৰজন্ম হৈছে ৰাষ্ট্ৰৰ বাবে অমূল্য সম্পদ। এনে মানৱ সম্পদৰ সদ্ উপযোগে যিদৰে ৰাষ্ট্ৰীয় বিকাশ ত্বৰান্বিত কৰিব পাৰে, সেইদৰে যুৱ শক্তি বিপথে পৰিচালিত হ'লে মানৱ সম্পদৰ অপচয়ৰ লগতে ই ৰাষ্ট্ৰীয় বিকাশত সুদূৰ প্ৰসাৰী নেতিবাচক প্ৰভাৱ পেলায়।

ৰাষ্ট্ৰ এখনৰ জনসংখ্যাক উপযুক্ত হোৱাত সহায় কৰি বোজাৰ পৰিৱৰ্তে সম্পদ হিচাপে গঢ়ি তোলাত শিক্ষাৰ ভূমিকা অপৰিসীম। ভাৰতৰ মানৱ সম্পদ মন্ত্ৰণালয়ে সেইবাবে ইয়াৰ Vision হিচাপে উল্লেখ কৰিছে—'The essence of Human Resource Development is education, which plays a significant and remedial role in balancing the socio-economic fabric of the country. Since citizens of India are its most valuable resource, our billion strong nation needs the nurture and care in the form of basic education to achieve a better quality of life.' গতিকে মানৱ সম্পদৰ বিকাশত শিক্ষাৰ ভূমিকা অপৰিসীম।

অতীজৰেপৰা ভাৰতবৰ্ষত বিদ্যা শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈ আহিছে। এনে বিদ্যা শিক্ষাৰ ক্ষেত্ৰত ১৪ বিদ্যা আৰু ৬৪ কলা অন্তৰ্ভুক্ত হৈছিল। ১৪ বিদ্যা হৈছে বেদ (ঋক, যজুঃ, সাম আৰু অথৰ্ব), চাৰি উপবেদ (অৰ্থশাস্ত্ৰ, ধনুৰ্বেদ, গন্ধৰ্ববেদ আৰু আয়ুৰ্বেদ) আৰু ছয় বেদাঙ্গ (শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষ)। ৬৪ কলা হৈছে সুকুমাৰ কলা আৰু শিল্প কাৰ্যসমূহ। এই ৬৪ কলাৰ কেইটামান হৈছে- গীত, বাদ্য, নৃত্য, নাট্য, চিত্ৰকলা, সাঁথৰ, আবৃত্তি, মনেৰে কাব্য ৰচনা, সাহিত্য ৰচনা ইত্যাদি। এইদৰে সেইসময়ত তাত্বিক শিক্ষাৰ লগতে ব্যৱহাৰিক শিক্ষাকো গুৰুত্ব দিয়া হৈছিল। বৌদ্ধিক বিকাশৰ লগতে মানসিক আৰু আধ্যাত্মিক বিকাশেও প্ৰাধান্য লাভ কৰিছিল।

বৰ্তমান সময়তো শিক্ষাই ব্যক্তিৰ সামগ্ৰিক বিকাশৰ ধাৰণাক সামৰি লয়। ব্যক্তিৰ শাৰীৰিক,

মানসিক, বৌদ্ধিক আৰু চাৰিত্ৰিক বিকাশেই হৈছে শিক্ষাৰ প্ৰধান উদ্দেশ্য। কিন্তু শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজত নিৰ্দিষ্ট পাঠ্যক্ৰমৰ লগত জড়িত শিক্ষাই ব্যক্তিৰ প্ৰধানকৈ বৌদ্ধিক বিকাশ সাধন কৰি জীৱন নিৰ্বাহৰ বাবে বৃত্তি এটা বাছি লবলৈ উপযুক্ত কৰি তোলে, কিন্তু সামগ্ৰিক বিকাশ সাধন নকৰে। সম্পূৰ্ণ শিক্ষাৰ বাবে মূল পাঠ্যক্ৰমক সহ পাঠ্যক্ৰম কাৰ্যাৱলীয়ে সহযোগ কৰে। প্ৰখ্যাত শৈক্ষিক মনস্তত্ববিদ ড° বেঞ্জামিন ব্লুমেও শৈক্ষিক কাৰ্যাৱলী বা শিকন প্ৰক্ৰিয়াৰ বাবে তিনিটা নিৰ্দিষ্ট ক্ষেত্ৰ নিৰ্দ্ধাৰণ কৰি দিছিল-কগ্নিটিভ (মানসিক কৌশল বা জ্ঞান), এফেক্টিভ (অনুভৱ বা আৱেগিক ক্ষেত্ৰ বা দৃষ্টিভঙ্গী) আৰু চাইক'মটৰ (দৈহিক বা কায়িক দক্ষতা বা কৌশল)। গতিকে বৌদ্ধিক, দৈহিক, মানসিক, আৱেগিক আদি সকলো শিক্ষা লগ লাগিহে শিকন প্ৰক্ৰিয়া সম্পূৰ্ণ হয়।

বৰ্তমান সময়ত সেইবাবে সহ-পাঠ্যক্ৰম কাৰ্যাৱলীৰ (Co-curricular activities) যথেষ্ট গুৰুত্ব আছে। সহ-পাঠ্যক্ৰম কাৰ্যাৱলীয়ে মূল পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত শিক্ষাৰ পৰিপূৰক হিচাপে কাম কৰে। পাঠ্যক্ৰমৰ সহযোগী কাৰ্যসমূহে কেৱল পুথিগত জ্ঞানৰ পৰিৱৰ্তে বাস্তৱ জ্ঞান আহৰণৰ সুযোগ প্ৰদান কৰে। এনে কাৰ্যৰ লগত জড়িত ছাত্ৰ-ছাত্ৰীসকলে লক্ষ্য নিৰ্দ্ধাৰণ, দলবদ্ধ কৰ্ম, সময় ব্যৱস্থাপনা, বিশ্লেষণাত্মক চিন্তা, নেতৃত্ব, ৰাজহুৱা বক্তৃতা, সিদ্ধান্ত গ্ৰহণ আদি গুণসমূহ আহৰণ কৰিব পাৰে। গতিকে পাঠ্যক্ৰম সম্পৰ্কীয় শিক্ষা আৰু সহ পাঠ্যক্ৰম কাৰ্যাৱলী লগ লাগি ছাত্ৰ-ছাত্ৰী সকলৰ সামগ্ৰিক অৰ্থাৎ বৌদ্ধিক, শাৰীৰিক, মানসিক, নৈতিক, আবেগিক আৰু সামাজিক বিকাশ সাধন কৰিব পাৰে। সহ-পাঠ্যক্ৰম কাৰ্যাৱলীত ক্ৰীড়া, কলা, সাহিত্য, সংস্কৃতি, শিল্পকৰ্ম আদি সকলো বিষয় অন্তভূৰ্ক্ত হয়।

সহ পাঠ্যক্ৰম কাৰ্যাৱলীয়ে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ বিকাশত অৰিহণা যোগায়। তদুপৰি এইবোৰৰ জৰিয়তে তেওঁলোকে সুপ্ত প্ৰতিভা আৰু ব্যক্তিগত সামৰ্থ্য প্ৰকাশ কৰাৰ সুবিধা পায়। ফলস্বৰূপে, তেওঁলোকৰ আত্মবিশ্বাস জাগ্ৰত হয় আৰু সৃজনীমূলক প্ৰতিভাৰ বিকাশ সাধন হয়। বিভিন্নজনে লগ লাগি কাম কৰাৰ সুবিধা পায় বাবে তেওঁলোকৰ সামাজিকীকৰণ ভালদৰে হয় আৰু সেইবাবে তেওঁলোক ব্যক্তিস্বাৰ্থকেন্দ্ৰিক হোৱাৰ পৰিৱৰ্তে তেওঁলোকৰ দলবদ্ধ মানসিকতা আৰু আনৰ বাবে চিন্তা কৰিব পৰা মানসিকতা গঢ় লৈ উঠে। সেইদৰে সততা, পক্ষপাতিত্বহীনতা, ন্যায়নিষ্ঠতা আদি নৈতিক গুণবোৰ শিক্ষা লাভ কৰে। গীত নৃত্য, বাদ্য, নাটক, চিত্ৰকলা, বক্তৃতা আদিৰ লগত জড়িত হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ মনৰ সুকুমাৰ অনুভূতি সমূহ বিকশিত হয়।

সহ পাঠ্যক্ৰম কাৰ্যাৱলী মূল পাঠ্যক্ৰমৰ পৰিপূৰক বুলি কোৱা হয়। পাঠ্যক্ৰমত লাভ কৰা শিক্ষাৰ বাস্তৱ অভিজ্ঞতা সহ পাঠ্যক্ৰম কাৰ্যাৱলীৰ জৰিয়তে লাভ কৰা যায়। বৰ্তমান শিক্ষা ব্যৱস্থাত জন ডিউই, ডেভিদ কলৱ আদিয়ে পৃষ্ঠপোষকতা কৰা Learning by doing বা Experiential learing অৰ ওপৰত গুৰুত্ব দিয়া হয়। এয়া হৈছে— 'the strategic, active engagement of students in opportunities to learn through doing, and reflection on those activities which empower them to apply their theoretical knowledge to practical endeavours in a multitude of settings inside and outside of the classroom.' সহ পাঠ্যক্ৰম কাৰ্যাৱলীত মূল পাঠ্যক্ৰমৰ বহু বিষয়ৰ ব্যৱহাৰিক অভিজ্ঞতা লাভ কৰাৰ লগতে অতিৰিক্ত আন বহু বিষয়ৰ অভিজ্ঞতা লাভ কৰা যায়, যিয়ে ছাত্ৰ-ছাত্ৰীক জীৱন শৈলীৰ (life skill) শিক্ষা দিয়ে আৰু সমাজৰ উপযুক্ত মানুহ হিচাপে জীয়াই থকাত সহায় কৰে। অভিজ্ঞতামূলক শিক্ষাৰ বিষয়ে চীন দেশীয় প্ৰবাদ বাক্য এটিত এইদৰে পোৱা যায়—Teach me and I will forget, show me and I may remember, involve me and I will never forget."

গুৱাহাটী বিশ্ববিদ্যালয়ে ছাত্ৰ-ছাত্ৰীক বৌদ্ধিক শিক্ষা প্ৰদানৰ লগতে আন্তঃ মহাবিদ্যালয় ক্ৰীড়া, যুৱ মহোৎসৱ আদিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক, আবেগিক, নৈতিক বিকাশৰো প্ৰচেষ্টা চলাই আহিছে। গুৱাহাটী বিশ্ববিদ্যালয়ে যুৱ মহোৎসৱত অন্তৰ্ভুক্ত কৰা মূল চাৰিটা বিষয় হৈছে— সঙ্গীত (Music), সাংস্কৃতিক (cultural), সাহিত্য সম্পৰ্কীয় (literary) আৰু সুকুমাৰ কলা (Fine arts)। এই চাৰিওটা মূল বিষয়ত আয়োজন কৰা প্ৰতিযোগিতাসমূহ হৈছে গীত, নৃত্য, নাটক, মুকাভিনয়, একাঙ্কিকা নাটক, আবৃত্তি, তৰ্ক প্ৰতিযোগিতা, ফটোগ্ৰাফী, চিত্ৰাঙ্কন ইত্যাদি। এই আটাইবোৰেই বহল অৰ্থত সুকুমাৰ কলা, আৰু সহ-পাঠ্যক্ৰম কাৰ্যাৱলীৰ অন্তৰ্গত। মানুহ 'কল্পনা শক্তি, সৃজনীশক্তি, বোধ অনুভূতি, উপলব্ধি ক্ষমতা, মমত্ব আৰু মনুষ্যত্ববোধৰ অধিকাৰী'। সুকুমাৰ কলাসমূহৰ চৰ্চাই এই সুপ্ত গুণসমূহ প্ৰকাশ আৰু বিকাশ সাধন কৰি মানুহক প্ৰকৃত অৰ্থত মানুহ হিচাপে জীয়াই থকাত সহায় কৰে। সেইবাবেই এইবোৰ সহ পাঠ্যক্ৰম কাৰ্যাৱলীৰ অন্তভূৰ্ক্ত হৈছে। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পাঠ্যক্ৰমক মূল লক্ষ্য হিচাপে ৰাখি সহ-পাঠ্যক্ৰম কাৰ্যাৱলীত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি প্ৰকৃত অৰ্থত শিক্ষিত হৈ ৰাষ্ট্ৰৰ বাবে উপযুক্ত মানৱ সম্পদত পৰিণত হ'ব পাৰে।

■ সহযোগী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ, সুৰেন দাস মহাবিদ্যালয়, হাজো

# যুৱ সমাজৰ সন্মুখত অনেক প্ৰত্যাহ্বান

■ ড° দয়ানন্দ পাঠক

আমাৰ যুৱ সমাজক আমি সঠিক লক্ষ্যৰ সন্ধানত প্ৰেৰিত কৰিব পাৰিছোনে পৰা নাই তেনে আলোচনালৈ পোনপটীয়াকৈ যাব খোজা নাই। কিন্তু এই কথা নিশ্চিতভাৱে কব পাৰো যে কৰবাত আমাৰ নেতৃত্বৰ যে স্খলন ঘটিছে সেই কথা বুজিবলৈ মুঠেই টান নালাগে। আমি সৰহভাগ ক্ষেত্ৰত আমাৰ নিজৰ ভূমিকাক পৰ্যালোচনা নকৰাকৈ অইন অইন কথাবোৰলৈহে আঙুলি টোৱাও। অৰ্থাৎ, আমি আত্ম বিশ্লেষণ কৰিবলৈ টান পাওঁ। যুৱ সমাজ সঠিক পথেৰে অগ্ৰসৰ হোৱাৰ ক্ষেত্ৰত আমাৰ বৃহৎ দায়িত্ব আছে। পিতৃ-মাতৃ হিচাপেও আৰু সামাজিক ভাবেও। এই ক্ষেত্ৰত শিক্ষকৰ দায়-দায়িত্ব অনেক বেছি। আমাৰ শিক্ষক সমাজে নিজৰ ছাত্ৰ-ছাত্ৰী সকলক কিমানখিনি অনুপ্ৰাণিত কৰিব পাৰিছে। শিক্ষক সমাজৰ বিশ বা ত্ৰিশ শতাংশহে নিজৰ দায়িত্বৰ প্ৰতি সচেতন। বাকী সত্তৰ শতাংশ ঠেক অৰ্থত চাকৰীয়ালহে। এনেবোৰ কথা আমি নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ আধাৰতহে জোৰ দি কব পাৰিছো।

আমাৰ শিক্ষা ব্যৱস্থাও আঁসোৱাহমুক্ত নহয়। এগৰাকী ছাত্ৰৰ মন মেজাজক সঠিক ৰূপত গঢ়ি তোলাৰ ক্ষেত্ৰত যিবোৰ বিষয়ৰ প্ৰয়োজন সেয়া আজি বিলুপ্ত। আমি কেৱল আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ কথা কবলৈ নেপাহৰো। কিন্তু ছাত্ৰ সকলৰ দৈহিক, আবেগিক, মানসিক বা মনস্তাত্বিক প্ৰয়োজনবোৰৰ প্ৰতি আমি অগ্ৰহী। আমাৰ আগ্ৰহ চিলেবাচ কেন্দ্ৰিক আৰু পৰীক্ষা কেন্দ্ৰিক। চিলেবাচকেন্দ্ৰিকতা আৰু পৰীক্ষাকেন্দ্ৰিকতাই আমাৰ যুৱ সমাজক বিধ্বস্ত কৰিছে। সৰহভাগ ক্ষেত্ৰত ছাত্ৰই পৰীক্ষাত প্ৰথম বিভাগ পাইছে যদিও তেওঁৰ মনত অনেক প্ৰয়োজনীয় প্ৰমূল্যৰ প্ৰতি সচেতনতা নাজাগিল। তেওঁলোকৰ মনত ইতিহাস চৈতন্য, জাতীয় চৈতন্য, বা সাংস্কৃতিক চৈতন্যৰ এক শতাংশও জাগ্ৰত নহল। ইয়াৰ উপৰিও জ্যেষ্ঠজনক সন্মান কৰা, জৈৱবৈচিত্ৰৰ প্ৰতি অনুৰাগ অনুকম্পা, স্বচ্ছতাৰ প্ৰতি আকৰ্ষণ, সমাজখনক নতুনকৈ গঢ়ি তোলাৰ প্ৰতি আগ্ৰহ এনেবোৰ কথা আমাৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত সাধাৰণতে দেখা নাযায়। আমাৰ শিক্ষা প্ৰশিক্ষণবোৰ মূলতঃ বিষয়কেন্দ্ৰিক আৰু পৰীক্ষাকেন্দ্ৰিক। এতেকে, আমি আমাৰ শিক্ষা ব্যৱস্থাটোকো সঠিকভাবে পৰ্যালোচনা কৰাৰ প্ৰয়োজন আছে।

খেল ধেমালি আমাৰ পাঠ্যক্ৰমত নাই। সাংস্কৃতিক সমল বা অনুষ্ঠানবোৰৰ প্ৰতিও আমাৰ





অনীহা। বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত খেল ধেমালি বা সাংস্কৃতিক অনুষ্ঠানবোৰ নিয়মিত ভাবে হয়নে? নিশ্চয় নহয়। আমাৰ কেইখন বিদ্যালয় মহাবিদ্যালয়ত সাংস্কৃতিক অনুষ্ঠান পতাৰ বাবে প্ৰেক্ষাগৃহ আছে। খেল ধেমালিৰ বাবে আমাৰ কেইখন বিদ্যালয়, মহাবিদ্যালয়ৰ একোখন খেল পথাৰ আছে? কোনোবা ভাগ্যবান বিদ্যালয়, মহাবিদ্যালয়ৰ একোখন খেল পথাৰ আছেও, সেইখনৰ যদি ব্যৱস্থা পুতৌলগা। বছৰত হয়তো এবাৰ মহাবিদ্যালয় সপ্তাহৰ সময়ত তেনে খেল পথাৰবোৰ জীৱন্ত হৈ উঠে। বাকী সময়খিনি ঘাঁহবনেৰে ঢাক খাই থাকে।

এতিয়া আমাৰ বিদ্যালয় মহাবিদ্যালয়বোৰত যে পৰিৱৰ্তনৰ নিজৰা প্ৰবাহিত হোৱাই নাই তেনেও নহয়। বিশেষকৈ NAAC অৰ নীতি নিয়ম অনুসৰি ছাত্ৰ-ছাত্ৰীৰ মাজত ক্ৰীড়াৰ লগতে সাংস্কৃতিক কথা কামবোৰেও গুৰুত্ব পাবলৈ আৰম্ভ কৰিছে। এনে প্ৰক্ৰিয়াৰ আৰম্ভণি সন্তোষজনক। কিন্তু সৰহভাগ ক্ষেত্ৰতেই আমাৰ ক্ৰীড়া প্ৰীতি বা সংস্কৃতিপ্ৰীতি এক আইওৱাছৰ বাহিৰে একো নহয়। কিছুমান কথা আমি যেন বিশ্ববিদ্যালয় অনুদান আয়োগ বা 'ন্যেক'ক দেখুৱাবলৈহে কৰোহক। বাস্তব ক্ষেত্ৰত আমাৰ তেনে ক্ষেত্ৰবোৰত বিশেষ সক্ৰিয়তা প্ৰকাশিত নহয়।

স্বামী বিবেকানন্দৰ কথা মনত পেলাবলৈ আমি যত্ন কৰাটো উচিত। স্বামীজীয়ে পাঠ্যপুথি বা ধৰ্মীয় গ্ৰন্থবোৰৰ পঠন-পাঠনতকৈ যুৱ সমাজ ক্ৰীড়া আৰু কৃষ্টি-সংস্কৃতিৰ প্ৰতিহে অধিক আগ্ৰহী হোৱাটো বাঞ্ছনীয় বুলি কৈছে। তেওঁ সজোৰে কৈছে, গীতা, মহাভাৰত পঢ়ি সময় নষ্ট কৰাতকৈ আমাৰ ভাৰতীয় যুৱক যুৱতীসকলে ফুটবল, ভলীবলৰ প্ৰতিহে অধিক মনোযোগ দিয়া উচিত। ক্ৰীড়াৰ লগত যুৱক যুৱতীৰ দৈহিক স্বাস্থ্যৰ কথাখিনিও সংপৃক্ত। আমাৰ যুৱ সমাজ যদি নিশকতীয়া হয়, তেন্তে ভাৰতবৰ্ষৰ ভৱিষ্যত সুৰক্ষিত থাকিবনে? এয়াই স্বামীজীৰ প্ৰশ্ন। আমাৰ যুৱসমাজক যদি ক্ৰীড়া আৰু কৃষ্টি-সংস্কৃতিৰ পৰম্পৰাগত আৰু প্ৰবাহমান ধাৰা দুটাৰ লগত চিনাকি কৰি দিব পাৰিলোহেতেন আমাৰ যুৱ সমাজে ভাৰতবৰ্ষ কিয়, সমগ্ৰ বিশ্বতেই নিজৰ অৰ্থবহ উপস্থিতি ঘোষণা কৰিব পাৰিলেহেতেন। প্ৰতিভা আমাৰ অনেক আছে। কিন্তু আত্মবিকাশৰ সুবিধাকণ আমি তেওঁলোকক দিব পৰা নাই। আমি আমাৰ পাঠ্যক্ৰমত ক্ৰীড়া আৰু কৃষ্টি সংস্কৃতিচৰ্চাক আন্তৰ্ভুক্ত কৰিব পৰা নাই। তত্ৰাচ, যিসকল যুৱক যুৱতীয়ে ক্ৰীড়া আৰু কৃষ্টি-সংস্কৃতি ক্ষেত্ৰত যিখিনি নাম কঢ়িয়াব পাৰিছে, সেয়া তেওঁলোকৰ নিজস্ব উদ্যোগতহে সম্ভৱ হৈছে, বিদ্যালয়, মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ আনুষ্ঠানিক উদ্যোগত সম্ভৱ হোৱা নাই।

প্ৰতিখন বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই নিজৰ নিজৰ অনুষ্ঠানত নামভৰ্ত্তি কৰা যুৱক-যুৱতী সকলৰ মাজত প্ৰথম দিনাখনৰ পৰাই তেওঁলোকৰ প্ৰতিভা সন্ধানৰ বাবে একোটি উদ্যোগ লব লাগে। যেনে, সংগীতৰ প্ৰতি আমাৰ কেইজন যুৱক-যুৱতীৰ আগ্ৰহ-অৰ্হতা আছে তাৰ এখন তালিকা প্ৰস্তুত কৰি লোৱাটো প্ৰয়োজনীয়। একেদৰে, ক্ৰীড়াৰ ক্ষেত্ৰতো কোনগৰাকী ছাত্ৰ-ছাত্ৰীৰ বিশেষ বিশেষ আগ্ৰহ

অৰ্হতা সেইটোও বাচি উলিওৱাটো আমাৰ শৈক্ষিক পাঠ্যক্ৰমৰ অন্তৰ্গত হোৱা উচিত। তেনে পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰশিক্ষণৰো ব্যৱস্থা শিক্ষানুষ্ঠানে ল'ব লাগিব। ক্ৰীড়া আৰু কৃষ্টি-সংস্কৃতি চৰ্চা পাঠ্যক্ৰমৰ ভিতৰুৱা কৰি ল'ব লাগিব। তেতিয়া ছাত্ৰ-ছাত্ৰীৰ মনৰ পৰা অনেক দুঃচিন্তা নোহোৱা হ'ব। তাৰদ্বাৰা তেওঁলোকৰ মনত জাতীয় প্ৰেমো জাগ্ৰত হব, আৰু সংস্কৃতিপ্ৰীতিও সুদৃঢ় হ'ব।

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ অনেক জাতি, জনগোষ্ঠী আৰু ভাষা-ভাষীৰ বাবে এক অপূৰ্ব মিলন স্থল। ৰাজনৈতিকভাৱে আমি সাংস্কৃতিক বিচিত্ৰতাক সুৰক্ষিত কৰি ৰাখিব নোৱাৰিম। ৰাজনীতিয়ে আমাৰ পৰস্পৰৰ মাজত বিভেদ আনে। ৰাজনীতিয়ে আমাৰ বহুবৰ্ণিল সাংস্কৃতিক ক্ষেত্ৰখনতো বিভেদৰ বীজ সিচে। কৃষ্টি-সংস্কৃতিয়ে কিন্তু সকলো বৈচিত্ৰক একেডাল এনাজৰিৰে বান্ধি পেলায়।

যুৱ মহোৎসৱৰ মাজেৰে আমাৰ পৰস্পৰৰ মাজত প্ৰেমৰ বান্ধোন আৰু কটকটীয়া হওক। আমি আমাৰ মাজত লুকাই থকা সাংস্কৃতিক প্ৰতিভাবোৰক চিনি উলিওৱাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় যুৱ মহোৎসৱে নিশ্চয় এক ইতিবাচক পৰিবেশ নিৰ্মাণ কৰিব পাৰিব। অসমৰ যুৱ সমাজ, আপোনালোক এক সুদৃঢ় মনেৰে আগবাঢ়ক। আমি আপোনালোকৰ নেপথ্যত অদৃশ্যভাৱে বা দৃশ্যমান হৈ সদায় উপস্থিত থাকিম।

■ প্ৰাক্তন অধ্যক্ষ, প্ৰাগজ্যোতিষ মহাবিদ্যালয় আৰু সুৰেন দাস মহাবিদ্যালয়





# LEADERSHIP QUALITIES – ONE MUST HAVE

■ **Dr. Ranjan Kr. Kakati**

"If your actions inspire others to dream more, learn more, do more and become more, you are a leader "- John Quincy Adams

A leader is someone with a futuristic vision who has the ability to turn dreams into reality and ideas into real life success stories. But easier said than done. To be a leader calls for sacrifice without compromise. One has to stick to one values and core beliefs at all costs and hence, honesty and integrity marks the personality of a leader.

One of the most arduous job for a leader is to persuade others to follow and this can be possible if we inspire others by setting a good example. It is during difficult times that others will look up to you for direction and solution. The idea is to stay calm under pressure and handle stressful situations with confidence and thereby keep the motivation level up. If you handle it well, you will be respected and followed.

Commitment and passion are two important qualities of a leader and it is rightly said that example is better than precept. When your team mates see you getting your hands dirty, they will automatically get the urge to give their best shot. When you are passionate about your goals, it will be reflected in your attitude which in turn will infuse new energy in your team members.

A leader must be good communicator, because words have the power to motivate people to achieve their dreams. You must be able to communicate your vision and strategy effectively to your team to achieve better results.

You must also have the ability to take the right decision at the right time, which will be beneficial for the whole team. There is no harm in discussing the key points with the team members so that they too feel responsible and accountable for any decision taken. However you must have the confidence to face any constructive

criticism and take every negative comment in your stride.

To be a successful leader, you must focus on the key responsibilities and delegate tasks to your subordinates and provide them the necessary resource and support. Sharing tasks not only releases extra pressure, but also encourages the team to be responsible by holding them accountable for their actions.

Creativity and innovation distinguishes a leader from a follower, and, to stand out in the crowd, one has to think out of the box. As a leader, you have to keep yourself updated and come up with unique and constructive ideas and find out ways to transform it into reality.

Last but not the least, a leader should never a be dictator. He should be empathetic and try to connect with his team to bring out the best in each of them without losing his own identity. He should display positive qualities of the mind, body and soul to not only shine out as a leader but to be a role model for the society at large.

■ Director, Students' Welfare, Gauhati University, Guwahati, Email: dsw@gauhati.ac.in





# অসমীয়া আধুনিক গীত ঃ এটি চমু সমীক্ষা

■ ড° ৰঞ্জু ঠাকুৰীয়া

গীত আৰু কবিতা একেডাল সূতাৰে গঁথা। অসমীয়া গীতৰ ঐতিহ্যই এইখিনি কথাকে প্ৰতিপন্ন কৰে। কিয়নো অসমীয়াা গীতৰ ঐতিহ্য বিচাৰৰ বেলিকা আমি যিদৰে নৱম-দশম শতিকাত ৰচনা কৰা চৰ্যা গীতসমূহক প্ৰথম নিদৰ্শন হিচাপে দাঙি ধৰোঁ, ঠিক তেনেদৰে অসমীয়া কবিতাৰ ইতিহাসো আৰম্ভ হোৱা বুলি দাবী কৰোঁ সেই একেখিনি সহজমান সম্প্ৰদায়ৰ দোহা সমূহক বা চৰ্যাগীত বোৰক আৰু তেতিয়াৰপৰাই অসমীয়া লিখিত সাহিত্যৰ বুৰঞ্জী আৰম্ভ হৈ শংকৰীযুগৰ গুৰু দুজনাৰ বৰগীতসমূহ মনসা কাব্যৰ গীতিসাহিত্য, শংকৰোত্তৰ যুগৰ গীতিকাৰ সকলৰ গীতিসমুহেৰে অসমীয়া মাৰ্গ সংগীত বা ৰাগ সংগীতৰ ভঁৰাল চপচপীয়া হৈ আছে। লিখিত গীতি সাহিত্যৰ আগতেই অসমৰ লোক কবিৰ হাতত জন্ম লোৱা লোকগীতসমূহ, দেহবিচাৰৰ গীতসমূহ, আজান ফকিৰ চাহাবৰ জিকিৰ জাৰী সমূহেও অসমীয়া গীতি সাহিত্যৰ ভঁৰালৰ অমূল্য সম্পদ হৈ জিলিকি আছে।

ওপৰোক্ত ঐতিহ্য বহনকাৰী অসমীয়া গীতি সাহিত্যই বিভিন্ন কাৰণত অষ্টাদশ শতিকাৰ শেষ আৰু উনবিংশ শতিকাৰ প্ৰায় মাজভাগলৈকে যেন কিছু পৰিমাণে স্তিমিত হৈ পৰে। এই সময়ছোৱাতে আমেৰিকান মিছনেৰী সকলে অসমত অৰ্গেন, পিয়ানো, বেহেলা আদি পশ্চিমীয়া বাজনাৰ প্ৰৱৰ্তন কৰাৰ লগতে ইংৰাজী সুৰত অসমীয়া প্ৰাৰ্থনা গীত ৰচনা কৰে। ইয়েই অসমীয়া গীত মাতত ইংৰাজী বাজনা প্ৰৱৰ্তনৰ পথ মুকলি কৰে। সেই সময়ছোৱাত অসমৰ সংস্কৃতিত বঙালী গীত-মাতৰ প্ৰভাৱ পৰে যদিও ভাৰতীয় মাৰ্গ সংস্কৃতিৰ মহান ঐতিহ্য বহনাকাৰী অসমীয়া মাৰ্গ সংগীতৰ আঁত যেন হেৰাই গ'ল। বঙলুৱা প্ৰভাৱে অসমৰ ৰুচিবান শ্ৰোতা পাঠকক কান ঘোলা কৰিবৰ উপক্ৰম কৰিলে। কি গীত-মাত, কি মঞ্চ নাটক সকলোতে বঙলা প্ৰভাৱ। এনে সময়তে যেন অসমৰ থলুৱা গীত মাতৰ লগতে মাৰ্গ সংগীতৰ হেৰোৱা আঁত বিচাৰি নতুনৰ পথ মুকলি কৰিবলৈ ওলাই আহিল এজাক সুন্দৰৰ পূজাৰীৰ দল। এই সুন্দৰৰ পূজাৰীৰ দলৰ অন্যতম পুৰোহিত হ'ল নিশ্চিতভাৱে জ্যোতিপ্ৰসাদ আগৰৱালা।

বিজতৰীয়া বঙলা ৰাম প্ৰসাদী বৈঠকী গানৰ প্ৰভাৱত মৃতপ্ৰায় হোৱা অসমীয়া গীতৰ স্বকীয়তা প্ৰদান কৰি জগত সভালৈ লৈ যাবলৈ অহো পুৰুষাৰ্থ কৰা এই সুন্দৰৰ পূজাৰীৰ দলৰ অন্যতম সকল হ'ল কালক্ৰমে-লক্ষ্মীনাথ বেজবৰুৱা, লক্ষ্মীৰাম বৰুৱা, উমেশ চৌধুৰী, কমলানন্দ ভট্টাচাৰ্য, কীৰ্তিনাথ বৰদলৈ, প্ৰফুল্ল বৰুৱা,

জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, পাৰ্বতী প্ৰসাদ বৰুৱা তথা অম্বিকাগিৰি ৰায়চৌধুৰী আদি। এই মহান যুগজয়ী গীতিকাৰ সুৰকাৰ তথা কণ্ঠশিল্পীৰ দলে লোৱা দুঃসাহসিক পদক্ষেপে শ্বিলং-গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ (১৯৪৮) স্থাপনৰ লগে লগে যেন নতুন প্ৰাণ পাই উঠে। এদল শিল্পীৰ সুৰীয়া সুৰে বৰ লুইতৰ সীমা চেৰাই ভাৰত মহাসাগৰৰ বুকুতো অনুভূত হবলৈ ধৰে। আধুনিক গীতৰ সীমাৰ পৰিধি ভাঙি জগত সভালৈ কৰা এই সোণসেৰীয়া যাত্ৰাক অধিক দ্ৰুততৰ কৰি তোলে ড° ভূপেন হাজৰিকাৰ সক্ৰিয় ভূমিকাই। ইংৰাজী অৰ্কেষ্ট্ৰাত অসমীয়া সুৰ তোলাৰ পথ প্ৰদৰ্শক হ'ল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। ঠিক তেনেদৰে অসমীয়া আধুনিক গীতক বন বিহগৰ সৌন্দৰ্য তথা সুৰেৰে সজাই তোলে বনকোঁৱৰ আনন্দিৰাম দাসে। সেয়ে তেওঁ ৰচিত এইটো থুলক নামকৰণ কৰা হ'ল বনগীত নামেৰে। বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ গীতৰ কথা সুৰ আৰু ভাষা সকলোতে আছে এক বলিষ্ঠ প্ৰকাশভংগী। যি অসমীয়া গীতক অতি উচ্চ শিখৰলৈ তুলি নিলে।

ড° ভূপেন হাজৰিকাৰ এৰা বাটৰ সুৰ' কথাছবিৰ গীত সমূহৰ মাজেদি অসমীয়া আধুনিক গীতৰো যেন সুৰ দিগন্ত উদ্ভাসিত হৈ উঠিল। বিশেষকৈ "সাগৰ সঙ্গমত কতনা সাতুৰিলো" আৰু কোকিল কণ্ঠী লতা মংগেশকাৰৰ কণ্ঠৰ "জোনাকৰে ৰাতি অসমীৰে মাটি" গীত দুটি এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখনীয়। ভাব-ভাষা, কথা, সুৰ, আধুনিক গীতৰ বাবে প্ৰয়োজনীয় আটাইবোৰ উপাদানেৰে সমৃদ্ধ হাজৰিকা দেৱৰ গীতে অসমীয়া আধুনিক গীতৰ সোণালীযুগৰ সুচনা কৰিলে। ড° হাজৰিকাৰ গীতেৰে অসমীয়া আধুনিক গীতৰ উত্তৰণত যোগদান আগবঢ়ায় এচাম নিস্বাৰ্থ গীতিকাৰ আৰু সুৰকাৰে। অসমীয়া আধুনিক গীতেৰে পঞ্চাশৰ দশকৰ দৃশ্যপটত আবিৰ্ভূত হোৱা এই গীতিকাৰ সুৰকাৰ আৰু কণ্ঠশিল্পী সকল ভিতৰত উল্লেখযোগ্য হ'ল- ৰুদ্ৰ বৰুৱা, কেশৱ মহন্ত, তফজ্জুল আলি, জয়ন্ত হাজৰিকা, জয়ন্ত বৰুৱা, লক্ষ্য হীৰা দাস, আলিমুল্লিছা পীয়াৰ, মুকুল বৰুৱা, হেমেন হাজৰিকা, নিৰ্মলপ্ৰভা বৰদলৈ, নৰকান্ত বৰুৱা, আব্দুল মালিক, মুনিন বৰা, ইব্ৰাহীম আলি, নবীনচন্দ্ৰ বৰদলৈ, মিত্ৰদেৱ মহন্ত। এই সময়ছোৱাতে সুৰকাৰ হিচাপে ব্ৰজেন বৰুৱা, পুৰুষোত্তম দাস, অজিৎ সিংহ আদিয়ে এক গধুৰ দায়িত্ব বহন কৰে।

গায়ক-গায়িকাৰূপে ইক্ৰামুল মজিদ, দুৰ্গাপ্ৰসাদ ভূঞা, বীৰেন্দ্ৰনাথ দত্ত, ৰমেন বৰুৱা, সুদক্ষিণা শৰ্মা, দিলীপ শৰ্মা, বীনাপাণি দাস, আদিয়ে এই সময়ছোৱাক প্ৰাণময় কৰিব তোলে। ইয়াৰ পৰৱৰ্ত্তী সময়ত আত্ম প্ৰকাশ কৰা গীতিকাৰ সকলৰ ভিতৰত পোনতে নাম ল'ব লাগিব বীৰেন ভট্টাচাৰ্যৰ এক অনুকৰণীয় ভাৱচেতনা তথা চিত্ৰ সম্বলিত গীতে বহু সময়ত গীত আৰু কবিতাৰ সীমাৰেখা একাকাৰ কৰি দিয়ে। এই সময়ছোৱাৰ অনান্য গীতিকাৰ সকলৰ ভিতৰত সতীশ দাস, ইদ্ৰিছ আলি, প্ৰশান্ত বৰদলৈ, দ্বিপেন্দ্ৰ মোহন শৰ্মা, নৰুল হক, পৰাগকুমাৰ ভট্টাচাৰ্য আদি গীতিকাৰসকলৰ আৱিৰ্ভাৱ ঘটে।

পঞ্চাশৰ দশকতে আত্ম প্ৰকাশ কৰি আজিকোপতি জনপ্ৰিয়তা অৰ্জন কৰি থকা এগৰাকী সাৰ্থক কণ্ঠশিল্পী তথা সুৰকাৰ বীৰেন্দ্ৰনাথ দত্তৰ আধুনিক অসমীয়া গীতৰ সভাত এক বিশেষ স্থান আছে। "আকাশ আমাক অকণি আকাশ দিয়া", "বহুদিন বকুলৰ মালা গাঁঠা নাই", "এ ধুন ধুন", "ধুনীয়া মোৰ অকণমানি" আদি অনেক গীতে আজিও বহু শ্ৰোতাৰ হৃদয় জয় কৰিছে।





আধুনিক অসমীয়া গীতৰ ক্ষেত্ৰখনৰ পৰা হঠাতে আঁতৰি গুছি যোৱা জয়ন্ত হাজৰিকাৰ নাম শ্ৰদ্ধাসহকাৰে লবই লাগিব।

এক সুকীয়া অসমীয়া সুৰৰ ধাৰা সৃষ্টিত সচেষ্ট অসমৰ আন এগৰাকী অনন্য সাধাৰণ শিল্পী হ'ল খগেন মহন্ত। ৰুদ্ৰ বৰুৱাৰ "কলৰে পাততে কাউৰি পৰে" গীতটিৰে অসমৰ আকাশ বতাহ মুখৰিত কৰি তোলা খগেন মহন্তৰ শিল্পী জীৱন সাৰ্থক হৈছে। পঞ্চাশৰ দশকৰ শেষভাগৰ পৰা কণ্ঠশিল্পী ৰূপে আত্ম প্ৰকাশ কৰি হঠাতে থমকি ৰ'ব লগা হোৱা দৰদী কণ্ঠশিল্পী দীপালী বৰঠাকুৰৰ নামো আধুনিক অসমীয়া গীতৰ জগতত সোণালী আখৰেৰে লিখা ৰ'ব। ঠিক তেনেদৰে পুলক বেনাৰ্জীৰ গীতে আজিও অসমৰ শ্ৰোতা জনতাক আপ্লুত কৰি ৰাখিছে। এই সময়ছোৱাৰ আন আন গীতিকাৰ তথা কণ্ঠ শিল্পীসকল হ'ল-অপূৰ্ব কুমাৰ দাস, মিহিৰ বৰদলৈ, অমৰ হাজৰিকা, কবিতা হাজৰিকা, পাৰবিন চুলতানা, ৰিদিপ দত্ত, মহানন্দ মজিন্দাৰ বৰুৱা, অনিমা চৌধুৰী, নমিতা ভট্টাচাৰ্য, বিউটী শৰ্মা বৰুৱা, হাচিনা হাজৰিকা, মিতালী চৌধুৰী, অসীম হাজৰিকা, দ্বীপেন বৰুৱা, ভূপেনউজীৰ, শান্তা উজীৰ, জিতুল সোণোৱাল, সংগীতা কাকতি, বিজয় লক্ষ্মী দাস, মনজ্যোৎস্না মহন্ত আদি এই সময়ছোৱাৰ গীতিকাৰ তথা কণ্ঠশিল্পীৰ সূচী আৰু দীঘলীয়া হ'বই।

সম্প্ৰতি জুবিন গাৰ্গ, অংগৰাগ মহন্ত, তৰালী শৰ্মা আদিৰ দৰে প্ৰতিভাৱান গীতিকাৰ সুৰকাৰ তথা কণ্ঠশিল্পীয়ে অসমৰ সীমা চেৰাই ৰাষ্ট্ৰীয় পৰ্যায়তো সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। সাম্প্ৰতিক কালছোৱাত অনেক প্ৰতিভাৱান গীতিকাৰ সুৰকাৰ তথা কণ্ঠশিল্পীৰ আৱিৰ্ভাৱ ঘটিছে। তাৰে কিছুৰে নিজৰ প্ৰতিভাৰ গুণত স্বকীয়তা বজাই ৰাখি হয়তো যুগক জয় কৰিব পাৰিব, আন কিছুৰে যুগৰ পৰিৱৰ্তনৰ ধামখুমীয়াত হয়তো হেৰাই যাব। মনজ্যোৎস্না মহন্ত, দিগন্ত ভাৰতী, মানস ৰবীন, বিদ্যাসাগৰ, সীমান্ত শেখৰ, দীক্ষু, সুবাসনা দত্ত, নিৰ্মালী দাস, ভিতালী দাস আদিৰ দৰে শিল্পীয়ে অসমীয়া আধুনিক গীতৰ ক্ষেত্ৰখনত কৰ্ষণ কৰি আছে। তথাপি কবই লাগিব সাম্প্ৰতিক কালছোৱা অসমীয়া আধুনিক গীতৰ বাবে যেন অনুকুল নহয়। সৰহসংখ্যক নৱীন গীতিকাৰ, সুৰকাৰ, গায়ক-গায়িকাই সস্তীয়া ক্ষণস্থায়ী যশ আৰু অৰ্থলাভৰ বাবে যিকোনো পৰিস্থিতিৰ সৈতে বুজাবুজি কৰিবলৈ লৈছে। সস্তীয়া ৰুচিবান এচাম শ্ৰোতাৰ কথা ভাৱি অনেকে গীতৰ নামত বহুৱালি যেন কৰিবহে লৈছে যিয়ে অতি ঐতিহ্যপূৰ্ণ আধুনিক অসমীয়া গীতক ধ্বংসৰ গৰাহলৈ লৈ যাব। সামাজিক দায়বদ্ধতাৰ প্ৰতি উদাসীন এই শিল্পীসকলে হয়তো বুজি পোৱা নাই যে সময়ে কাকো ক্ষমা নকৰে। আমাৰ বিনম্ৰ অনুৰোধ যাতে অসমীয়া গীতি সাহিত্যৰ জগতখনক কলংকিত কৰিব পৰা কোনোধৰণৰ বিজতৰীয়া কথাসুৰৰ সমন্বয়ত যাতে অসমীয়া আধুনিক গীতৰ সৃষ্টি নহয়। কাৰণ চৰ্যাপদ, ওজাপালি, বৰগীতৰ ৰাগত লোকগীত, জ্যোতি বিষ্ণুৰ গীত, পাৰ্বতিপ্ৰসাদৰ গীত, বনগীতৰ সুৰত ওমলি যামলি ডাঙৰ হোৱা ৰুচিৱান অসমীয়া গীতৰ 'হেজাৰ শ্ৰোতাই' এনে গীতিকাৰ তথা সুৰকাৰক ক্ষমা নকৰিব। আমি আশাবাদী প্ৰৱাহমান বৰলুইতৰ দৰে চিৰ প্ৰৱাহিত হৈ থাকক অসমীয়া গীতৰ স্ৰোতস্বিনী ধাৰা।

■ সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, সুৰেন দাস মহাবিদ্যালয়, হাজো

# সত্ৰীয়া নাচ-এটি চমু আভাস

■ ড° পংকজ নমঃশূদ্ৰ

নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পঞ্চদশ শতিকাৰ আগভাগ আৰু ষষ্ঠদশ শতিকাত প্ৰথমাৰ্ধত অংকীয়া ভাওনাৰ লগত বিভিন্ন সাহিত্য, সংগীত, ললিতকলাৰ জন্ম দিয়ে। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল কৃষ্ণধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰা। শংকৰদেৱ সৃষ্ট এই কলা সমূহৰ ভিতৰত নাট্য কলা অন্যতম। শ্ৰীকৃষ্ণৰ মহিমা আৰু ঐশ্বৰিক গুণ প্ৰকাশ কৰিবৰ বাবে অংকীয়া ভাওনাৰ মাজত এলানি নাচৰ জন্ম দিছিল। কালক্ৰমত অংকীয়া ভাওনাৰ মাজত সৃষ্টি হোৱা নাচসমূহক ২০০০ চনৰ ১৫ নবেম্বৰ তাৰিখে সংগীত নাটক একাডেমীৰ অধ্যক্ষ ভাৰত ৰত্ন ড ভূপেন হাজৰিকাদেৱে সত্ৰীয়া নৃত্যক ভাৰতৰ আন আন শাস্ত্ৰীয় নৃত্যৰ লগত একেশাৰীতে থিয় কৰাই শাস্ত্ৰীয় মৰ্য্যদা প্ৰদান কৰে। আৰু সেই দিনাৰ পৰাই অসম তথা ভাৰতবৰ্ষত সত্ৰীয়া নৃত্যই শাস্ত্ৰীয় সন্মানেৰে সন্মানিত হয়।

উল্লেখযোগ্য যে শংকৰদেৱৰ অংকীয়া নাট কেইখনৰ উপৰিও তেৰাৰ প্ৰধান শিষ্য মাধৱদেৱৰ ঝুমুৰা কেইখনতো কিছু কিছু নাচৰ উপাদান বিদ্যমান। কিন্তু বৰ্ত্তমান সময়ত কোনখিনি শংকৰদেৱে সৃষ্টি কৰা নাচ আৰু কোনখিনি মাধৱদেৱে সৃষ্টি কৰা নাচ তাক বাহিৰ কৰি উলিয়াই আনিবলৈ বা চিনাক্তকৰণ কৰিবলৈ অলপ কঠিন হয়। যিয়েই নহওঁক শংকৰদেৱ আৰু মাধৱদেৱৰ ভাওঁনা সমূহৰ মাজত বৰ্ত্তমানৰ অসমত সত্ৰীয়া নাচৰ জন্ম হৈছিল সেইটো ধুৰুপ।

অংকীয়া ভাওনাৰ মাজত নাচ সমূহৰ এটা সম্পূৰ্ণ ৰূপ নিহিত হৈ আছে। ভাওনাৰ গায়ন বায়নৰ মাজত একাদিক্ৰমে নাচ বন্ধা আছে তেনেদৰে সূত্ৰধাৰী নাচৰ মাজতো নান্দি শ্লোকৰ পৰা ভটিমালৈ সংহত ক্ৰম এটা বান্ধি যোৱা আছে। উল্লেখনীয় যে ভাওনাত সকলো চৰিত্ৰই নাচৰ মাজেদিহে প্ৰৱেশ প্ৰস্থান অথবা মঞ্চত এঠাইৰ পৰা আন ঠাইলৈ গতি কৰে। সূত্ৰধাৰ তথা প্ৰধান চৰিত্ৰকে মুখ্য কৰি প্ৰতিটো চৰিত্ৰই এক শুদ্ধ নাচৰ ভঙ্গিমাৰে ভাওনা ঘৰত প্ৰৱেশ কৰে আৰু নিৰ্দিষ্ট সময়ত ভাওনাৰ মজিয়াৰ পৰা প্ৰস্থান কৰে। এনেদৰে দেখা যায় যে ভাওনাৰ এই দুয়োটা কাৰ্য প্ৰৱেশ আৰু প্ৰস্থানৰ নাচ নিৰ্দিষ্ট নাচৰ মাজেদিহে সম্পন্ন হয় আৰু এনে নাচক চলনৰ নাচ বুলি কোৱা হয়। আনহাতেদি ভাওনাৰ আন আন ঘটনা ৰসপূৰ্ণ ৰূপত উপস্থাপিত হৈছে একোখন নাচৰ মাজেদি। এই নাচৰ ভিত্তিভূমি হৈছে একো একোটা বিশেষ মুহুৰ্ত্তত চিত্ৰিত কৰা বিভিন্ন ভাব আৰু ৰসৰ বিভিন্ন ৰাগ তালত বন্ধা গীতসমূহ। এনেধৰণৰ বহুতো গীতৰ নাচৰ একোখন অংকীয়া ভাওনাৰ মাজত নিহিত হৈ আছে। নাট্য নৃত্যবিদ শংকৰদেৱে ভাওনাৰ কাহিনীৰ মাজে মাজে যিবোৰ যুদ্ধৰ বৰ্ণনা দাঙি ধৰিছে সেই যুদ্ধৰ বৰ্ণনাক লৈও একোখন নাচৰ জন্ম হৈছে। পৰৱৰ্ত্তী সময়ত ইয়াক 'যুদ্ধৰ নাচ' বুলি নামকৰণ কৰা হৈছে। শংকৰদেৱে সংস্কৃত নাটকৰ আৰ্হিত সৃষ্টি কৰা পূৰ্ব্বৰংগ স্বৰূপ গায়ন বায়নৰ ধেমালিত বিভিন্ন তালত নচা নাচ সমূহৰ অতি কঠিন পদকৰ্ম, হস্ত বা হাত দিয়া আদি কাৰ্যৰ চমকপ্ৰদ ৰূপ দেখা পোৱা যায় আৰু এই ভাওনাৰ এটি অতি আকৰ্ষণীয় নৃত্যানুষ্ঠান বিভিন্ন সত্ৰত বিভিন্ন ভাৱে গায়ন-বায়নৰ ধেমালি দেখিবলৈ পোৱা যায়। গোটেই ভাওনাখন যে 'ৰজত সুবৰ্ণৰ বিচিত্ৰ কৰ্মেৰে খচিত এটি বিশাল নৃত্যৰ গাঁথনি তাৰ ইংগিত গায়ন-বায়নৰ ধেমালিসমূহৰ নাচেই পোন প্ৰথমে ইংগিত দিয়ে। গতিকে অংকীয়া ভাওনাৰ সোমাজতে বিশাল নৃত্য সম্পদ থাহ খাই আছে। অন্য কথাত কবলৈ গলে শংকৰদেৱে অংকীয়া ভাওনাৰ জৰিয়তে অসমৰ ধ্ৰুপাদী নৃত্য ঐতিহ্যক নতুন সংৰচনা কৰি থৈ যোৱা বুলি কব পাৰি।

মহাপুৰুষ শংকৰদেৱে ভাওনাৰ মাজত জন্ম দিয়া নাচখিনিক আমি দুটা বহল ভাগত ভাগ কৰিব পাৰোঁ। যেনে ঃ (ক) ভাওনাৰ নাচ আৰু (খ) ভাওনাৰ বাহিৰৰ নাচ। উল্লেখযোগ্য যে এই দুয়ো প্ৰকাৰৰ নাচৰ মাজত পুৰুষ প্ৰধান নাচ আৰু স্ত্ৰী প্ৰধান নাচ ৰ আন দুটা ভাগো দেখিবলৈ পোৱা যায়। ভাওনাৰ প্ৰধান চৰিত্ৰ 'শ্ৰীকৃষ্ণ' বা 'ৰাম' অথবা অন্য অন্য পুৰুষ চৰিত্ৰই কৰা নাচক পুৰুষ নাচ বা পুৰুষ প্ৰধান নাচ বুলি কোৱা হয়। অন্যহাতে ভাওনাৰ প্ৰধান নায়িকা বা গোপী 'সীতা' ৰুক্মিনী' 'সত্যভমা', আৰু আন আন স্ত্ৰী চৰিত্ৰই কৰা নাচ বা নাচক স্ত্ৰী প্ৰধান নাচ বুলি কোৱা হয়। ঠিক তেনেদৰে ভাওনাৰ মাজত অজস্ৰ নাচ নিহিত হৈ আছে আৰু এই নাচবোৰৰ মাজত এটা সুকীয়া ক্ৰম দেখা পোৱা যায়।

এই ক্ৰম বিশিষ্ট একোখন নাচৰ গা-মান, সচাঁৰ, ভাঙনি, ঘাত, চোক আদি লক্ষ্য কৰা দেখা যায়। আৰু এইবোৰে ভাওনাৰ নাচবোৰক অধিক আকৰ্ষণীয় ৰূপত দাঙি ধৰিছে। মহাপুৰুষ মাধৱদেৱেও শংকৰদেৱক অনুসৰণ কৰি এলানি নাচৰ জন্ম দিছিল। মাধৱদেৱৰ নাচখিনিকো দুটা ভাগত ভাগ কৰিব পাৰি। (ক) ভাওনাৰ নাচ আৰু (খ) ভাওনাৰ বাহিৰৰ নাচ। মনকৰিবলগীয়া কথা এই যে মাধৱদেৱে বৰপেটা সত্ৰত থাকোতে এলানি বিশেষ নাচৰ জন্ম দিছিল। যিখিনি নাচ সত্ৰীয়া নাচৰ উৎকৃষ্ট আৰু চমকপ্ৰদ নাচ। সেইখিনি নাচৰ নামাকৰণ কৰা হৈছে ছালি নাচ হিচাপে। সত্ৰীয়া নাচত এই নাচ খিনিয়ে আটাইতকৈ বেছি। যেনেঃ শুদ্ধ চালি নাচ আৰু ৰজা ঘৰীয়া চালি নাচ। কথিত আছে যে মাধৱদেৱে ল'ৰাক ছোৱালী সজাই এই ছালি নাচ নচুৱা বাবে ৰজা নৰ নাৰায়ণৰ ৰোষত পৰিছিল। এনেদৰে দেখা যায় যে মাধৱদেৱে ভাওনাৰ ভিতৰৰ নাচ 'ঝুমুৰা' নাচ'ৰ উপৰিও ভাওনাৰ বাহিৰৰ ছালি নাচ সমূহ সত্ৰীয়া নাচৰ অমূল্য সম্পদ।

সাধাৰণতে দেখা যায় যে শংকৰদেৱ আৰু মাধৱদেৱে ভাওনাৰ মাজত উপস্থাপন কৰা নাচ সমূহক এনেদৰে আমি ভাগ কৰিব পাৰোঁ। যেনে ঃ

১। গায়ন বায়নৰ নাচ।
২। সূত্ৰধাৰী নাচ।
৩। গোসাঁই প্ৰৱেশৰ নাচ।
৪। লৰণু চুৰি নাচ আৰু কৃষ্ণ নাচ।
৫। গোপী প্ৰৱেশৰ নাচ।
৬। অন্যান্য ভাৱৰীয়াৰ প্ৰৱেশ, প্ৰস্থান আৰু চলনৰ নাচ।

৭। শ্লোকৰ নাচ।

৮। গীত আৰু ভটিমাৰ নাচ। ইত্যাদি।

উল্লেখযোগ্য যে শংকৰদেৱে আৰু মাধৱদেৱৰ প্ৰয়ানৰ পিছত অসমৰ সত্ৰসমূহত বিভিন্ন নাচৰ জন্ম হৈছিল। ফলত শংকৰদেৱ আৰু মাধৱদেৱে সৃষ্টি কৰা নাচৰ উপাদানবোৰৰ যথেষ্ট পৰিবৰ্দ্ধন ঘটিছিল। এনেদৰে বিভিন্ন নাচৰ জন্ম হোৱাৰ পিছত সত্ৰীয়া নাচৰ প্ৰসাৰতা বৃদ্ধি পাইছে। এই বিভিন্ন বাজনা আৰু ভংগীৰ আধাৰত জন্ম লাভ কৰা নাচ সমূহ হ'ল— বিয়হীয়া ওজাপালি নাচ, সত্ৰীয়া ওজাপালি নাচ, লৰণুচুৰি নাচ, কালি নাচ, শিৱৰ নাচ, মহাপুৰুষীয়া আৰু হাজোৱালীয়া নাচ (হাজোৰ নটী নাচ) অপ্সৰা বা ইন্দ্ৰাভিষেক নাচ, ৰাসৰ নাচ, মুহিনী নাচ, মান-চোক নাচ, চালি নাচ, কীৰ্ত্তনীয়া নাচ আদি নাচ।

এনেদৰে দেখা যায় যে শংকৰদেৱ আৰু মাধৱদেৱৰ সৃষ্ট অংকীয়া ভাওনাৰ মাজত সৃষ্টি হোৱা নাচ সমূহৰ পৰিৱৰ্ত্তন, পৰিবৰ্দ্ধন ঘটি বৰ্তমান সত্ৰীয়ানাচ সমূহ এডাল বটবৃক্ষসদৃশ ইয়াৰ বিভিন্ন ঠাল ঠেঙুলি, ফলে-ফুলে জাতিস্কাৰ হৈ পৰিছে। বৰ্তমান সত্ৰীয়া নাচে পৃথিৱীৰ বিভিন্ন মঞ্চত পৰিৱেশিত হৈছে। পূৰ্বতে সত্ৰীয়া নাচ সত্ৰৰ চাৰিবেৰত আৱদ্ধ হৈ আছিল, কিন্তু সম্প্ৰতি এই সত্ৰীয়া নাচে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভ কৰিছে। অসমৰ সত্ৰীয়া নাচে ভাৰতবৰ্ষৰ আন আন শাস্ত্ৰীয় (কথাকলি, কুচি পুড়ি, মোহিনী আট্টম, ভাৰত নাট্যম কথক মনিপুৰি) নাচতকৈ কোনো গুণে কম নহয়। শাস্ত্ৰীয় নৃত্যত থকা ৰস, ভাৱ লয়, তাল, সাজপাৰ, হস্ত, মুদ্ৰা পদকৰ্ম, গ্ৰীৱাকৰ্ম, দৃষ্টি আদি সত্ৰীয়া নাচত সুন্দৰভাৱে ধৰা দিছে। আন আন শাস্ত্ৰীয় নাচতকৈ সত্ৰীয়া নাচত ভক্তিভাৱ আৰু আৰু তালৰ সমাহাৰ অধিক। ভক্তিভাৱৰ বাবে ভাৰতৰ আন নাচতকৈ সত্ৰীয়া নাচে এখোপ ওপৰত স্থান লাভ কৰিছে।

শেষত উল্লেখ কৰিব পাৰি যে সত্ৰীয়া নাচ অসমৰ শাস্ত্ৰীয় নাচ। আমি সমগ্ৰ অসমবাসীয়ে সত্ৰীয়া নাচক মৰ্য্যদা আৰু সন্মান দিয়াটো নিতান্তই প্ৰয়োজনীয়। ইয়াৰ উপৰি লোক পৰিবেশ্য কলাৰ অন্যতম উপাদান হিচাপেপেও সত্ৰীয় নাচৰ ওপৰত গৱেষনা তথা অধ্যয়ন কৰাটো অতিকৈ দৰকাৰী।

সেয়েহে সত্ৰীয়া নাচৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে প্ৰতিজন অসমীয়াই সচেতন হোৱাটো বাঞ্ছনীয়।

**পাদটীকা ঃ**

১। ড° প্ৰদীপজ্যোতি মহন্ত, ঘনকান্ত বৰা, সত্ৰীয়া নৃত্যঃ ঐতিহ্যৰ আভাস, পৃঃ ১৩

**সহায়ক গ্ৰন্থ ঃ**

১। বৰা, কৰুণা ঃ সত্ৰীয়া নৃত্যত ৰূপ দৰ্শন

২। মহন্ত ড° প্ৰদীপজ্যোতি, সত্ৰীয়া নৃত্যঃ ঐতিহ্যৰ আভাস।

৩। দাস, প্ৰভাত চন্দ্ৰ, নমঃশূদ্ৰ, ড° পংকজ (সম্পাঃ) শ্ৰীমন্ত শংকৰদেৱৰ শিক্ষাৰ প্ৰাসংগিকতাৰ বিচাৰ।

■ সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, ডিমৰীয়া মহাবিদ্যালয়, ক্ষেত্ৰী





# পৱিত্ৰ উত্তম হাজো

■ শ্ৰী শ্ৰীপ্ৰকাশ দাস

হাজো উত্তৰ-পূৰ ভাৰতবৰ্ষৰ এখন প্ৰসিদ্ধ তীৰ্থভূমি। হিন্দু, ইছলাম আৰু বৌদ্ধ এই তিনি ধৰ্মৰ মিলন ক্ষেত্ৰ হাজোক 'ত্ৰিবেণী সংগম' বুলিও কয়। বিভিন্ন ধৰ্ম-সম্প্ৰদায়ৰ এনে হেন পবিত্ৰ উত্তম ঠাইখনৰ বিষয়ে চমুকৈ জানো আহক—

**অৱস্থিতি ঃ**

নিজ হাজো গাঁওখন ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে শৰাইঘাট দলঙৰ পৰা প্ৰায় বিশ কিলোমিটাৰ পশ্চিমে অৱস্থিত। প্ৰকৃততে হাজোৱে এটি বিশাল অঞ্চলক সামৰি লয়। 'হাজো' এটি বিধানসভা সমষ্টি আৰু ই গুৱাহাটী লোকসভা সমষ্টিৰ অন্তৰ্গত। ষোড়শ শতিকাত ৰঘুদেৱ নাৰায়ণৰ ৰাজত্বকালত কোচ হাজোৱে এখন ৰাজ্যৰ মৰ্যাদা পাইছিল আৰু ইয়াৰ সীমাই অবিভক্ত কামৰূপ, দৰং আৰু গোৱালপাৰা জিলাৰ এক বৃহৎ অঞ্চলক সামৰি লৈছিল। বৰ্তমান এই মৰ্যাদা আৰু বিশালতা হেৰুৱাই এতিয়া এখন গাঁৱত পৰিণত হৈছে। নিজ হাজো গাঁওখনৰ পূবে অভয়পুৰ-গেৰুৱা, পশ্চিমে ৰামদিয়া, উত্তৰে লখাইতৰা নৈ আৰু দক্ষিণে ন-নৈ, বংশৰ। নিজ হাজো গাঁওখনৰ আয়তন ১৫.৪১ বৰ্গ কিলোমিটাৰ। ২০১১ চনৰ লোকপিয়লমতে জনসংখ্যা ১৭,৬৩০ জন। পুৰুষ ৮,৯০১ জন আৰু মহিলা ৮,৭২৯ গৰাকী। সাক্ষৰতাৰ হাৰ ৭৭.৬৭ শতাংশ। ইয়াৰে পুৰুষ ৮৩.২২ শতাংশ আৰু মহিলা ৭২.০১ শতাংশ।

**হাজো নামৰ উৎপত্তি ঃ**

মহাপুৰুষ শংকৰদেৱৰ সমসাময়িক, নৱবৈষ্ণৱ যুগৰ এজন প্ৰখ্যাত কবি অনন্ত কন্দলীয়ে ৰামায়ণৰ অযোধ্যাকাণ্ড অনুবাদ প্ৰসংগত হাজোৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে ঃ

হাজো হেন নাম পবিত্ৰ উত্তম
স্থান কামৰূপ মাঝে।
মণিকূট গিৰি শিখৰত আছা
হয়গ্ৰীৱ দেৱৰাজে।।

ইতিহাসৰ বিভিন্ন সময়ত এই পুণ্যভূমিখনে বিভিন্ন নামেৰে পৰিচিতি লাভ কৰি আহিছে। পুৰণি বিভিন্ন পুথি আদিতো ঠাইখনৰ কথা বিভিন্ন নামেৰে উল্লেখ আছে। একাদশ শতিকাৰ কালিকা পুৰাণত অপূৰ্ণভৱ আৰু মণিকূট, চতুৰ্দশ শতিকাৰ যোগিনীতন্ত্ৰত বিষ্ণুপুষ্কৰ, দৰংগ ৰাজবংশাৱলীত মণিকূটগ্ৰাম বুলি উল্লেখ আছে। বুৰঞ্জী আৰু বৈষ্ণৱ যুগৰ কবিসকলৰ ৰচনাৰ পৰাহে 'হাজো' নাম প্ৰয়োগ পোৱা যায়। মোগলসকলে হাজোক 'চুজাবাদ' বুলি উল্লেখ কৰিছে। কোচ আৰু আহোম

ৰজাসকলৰ তামৰ ফলিতো হাজো নামটো পোৱা যায়।

হাজো নামৰ উৎপত্তি সম্পৰ্কে বিভিন্ন কাহিনী, জনশ্ৰুতিৰ লগতে ঐতিহাসিক আৰু ভাষা-তাত্ত্বিক ব্যাখ্যাও আছে।

১। এটি জনশ্ৰুতিমতে কলি আৰু দ্বাপৰৰ সন্ধিক্ষণত এই ঠাইখনত মুনিসকলে যোগ সাধনা কৰিছিল। তপস্যা সম্পূৰ্ণ নৌহওঁতেই অসুৰবিলাকৰ অত্যাচাৰত তেওঁলোকৰ সাধনা ভ্ৰষ্ট হ'ল। ফলত মুনিসকলে 'হত যোগ', 'হত যোগ', 'হা-যোগ', 'হা-যোগ' বুলি চিঞৰিবলৈ ধৰিলে। এই হা 'হা-যোগ'ৰ পৰাই 'হাজো' হোৱা বুলি এটি কিংবদন্তি প্ৰচলিত হৈ আহিছে।

২। প্ৰবাদ আছে যে ভগৱান বুদ্ধদেৱে হাজোত মহা পৰিনিৰ্বাণ লাভ কৰিছিল। তেওঁৰ এই মহা পৰিনিৰ্বাণৰ সময়ত তেওঁৰ শিষ্যবৰ্গই শোকতে 'হ অ জু' 'হ অ জু' (অৰ্থাৎ সূৰ্য ডুব গ'ল) বুলি চিঞৰিবলৈ ধৰিলে। ইয়াৰ পৰা হাজো নামৰ সৃষ্টি হ'ল বুলি এটি জনশ্ৰুতি প্ৰচলিত হৈ আহিছে।

৩। হাজোত মুছলমানসকলৰ পবিত্ৰ তীৰ্থ পোৱামক্কা বিৰাজ কৰিছে। মুছলমানসকলে পোৱামক্কা দৰ্শন কৰিলে 'হজ' কৰাৰ সমান পুণ্য লাভ হয় বুলি বিশ্বাস কৰে। 'হজ'ৰ পৰাই 'হাজো' হোৱা বুলিও এচামে ক'ব বিচাৰে।

৪। এসময়ত 'হজ' বা 'হাজু' নামৰ মেচ ৰজা এজনে ইয়াত ৰাজধানী স্থাপন কৰিছিল। এইজনা মেচ ৰজাৰ নামেৰেই ঠাইখনৰ নাম হাজো হ'ল বুলিও কোৱা হয়।

৫। এসময়ত হাজং নামৰ জনজাতিৰ লোকে ইয়াত শাসন কৰিছিল। তেওঁলোকৰ নাম অনুসৰিয়েই হাজঙৰ পৰা হাজো হোৱা বুলিও কিছু লোকে কয়।

৬। পণ্ডিতপ্ৰৱৰ ড° বাণীকান্ত কাকতিদেৱে 'হাজো' বড়োমূলীয় শব্দ বুলি ভাবে। বড়ো ভাষাত 'হা' মানে মাটি আৰু 'গজৌ' মানে ওখ ঠাই। হা আৰু গজৌ শব্দ দুটা লগ লাগি কালক্ৰমত হাজো হৈছে—হা + গজৌ > হাগজৌ > হাজৌ > হাজো। এই ব্যাখ্যাৰ যথাৰ্থতা থকা বুলি বহুতে ভাবে। কিয়নো হাজো অঞ্চলটো এসময়ত বড়োসকলৰ বাসভূমি আছিল। তদুপৰি হাজোৰ দাঁতিকাষৰীয়া ঠাইবোৰৰ তুলনাত হাজো ওখ ঠাই।

**ঐতিহাসিক পটভূমিত হাজো ঃ**

আহোম, কোচ, মোগল- এই তিনিটা ৰাজতন্ত্ৰৰ কালছোৱাত হাজোৰ যথেষ্ট গুৰুত্ব আছিল। ষোড়শ শতিকাত কোচ ৰজা ৰঘুদেৱ নাৰায়ণৰ ৰাজত্বকালত হাজোৱে এখন ৰাজ্যৰ মৰ্যাদা লাভ কৰিছিল। এই ৰাজ্যখনৰ নাম আছিল কোচ হাজো। কোচ হাজো ৰাজ্যৰ সীমা পূবে বৰনদীৰ পৰা পশ্চিমে সোণকোষ নদীপৰ্যন্ত বিস্তৃতি আছিল। ৰঘুদেৱ নাৰায়ণৰ কোচ হাজো ৰাজ্যই অবিভক্ত গোৱালপাৰা আৰু উত্তৰ কামৰূপৰ উপৰি দৰং জিলাৰো কিছু অংশ সামৰি আছিল। বৰ্তমান হাজোৱে পূৰ্বৰ ৰাজ্যৰ মৰ্যাদা হেৰুৱাই এখন গাঁৱত পৰিণত হৈছে। আহোম ৰাজতন্ত্ৰৰ কালছোৱাতো হাজোক গুৰুত্বসহকাৰে লোৱা হৈছিল।

**পুণ্যতীৰ্থ হাজো ঃ**

হাজো পঞ্চতীৰ্থ হিচাপে খ্যাত। এই তীৰ্থকেইখন হ'ল—হয়গ্ৰীৱ মাধৱ, কেদাৰেশ্বৰ, কমলেশ্বৰ, কামেশ্বৰ আৰু গণেশ মন্দিৰ।





পঞ্চতীৰ্থৰ মূল শ্ৰীশ্ৰীহয়গ্ৰীৱ মাধৱ মন্দিৰ মণিকূট নামৰ এটি টিলাৰ ওপৰত অৱস্থিত। ইয়াত পূজা কৰা হয় হয়গ্ৰীৱৰূপী বিষ্ণুক। মন্দিৰৰ উপাসনাস্থলত হয়গ্ৰীৱ মাধৱৰ মূৰ্তিৰ লগতে তেওঁৰ সোঁপিনে গোবিন্দ মাধৱ, বাসুদেৱ আৰু বাওঁপিনে দ্বিতীয় মাধৱ আৰু গড়ুৰ পক্ষী বিদ্যমান। মন্দিৰৰ নামনিত বিষ্ণুপুষ্কৰ নামে এটি পুখুৰী আছে। মন্দিৰটোৰ নিৰ্মাণকাল ষষ্ঠ শতিকামান বুলি কোৱা হয়। এটা সময়ত মন্দিৰটোৰ বিস্তৰ ক্ষতি হয়। ১৫৮৩ চনত কোচ ৰজা ৰঘুদেৱ নাৰায়ণে পুনৰ নিৰ্মাণ কৰি উলিয়ায়। ভুটীয়াসকলে মাধৱ মন্দিৰটো আগতে বৌদ্ধ মঠ আছিল বুলি ভাবি পূজা কৰে। মন্দিৰৰ কাষতে এটি দৌলগৃহ আছে। আহোম ৰজা প্ৰমত্ত সিংহই ১৭৫০ খ্ৰীষ্টাব্দত এই দৌল গৃহটো নিৰ্মাণ কৰাইছিল। হাজোৰ মাধৱ মন্দিৰ পূব ভাৰতৰ জগন্নাথ মন্দিৰসদৃশ।

মাধৱ মন্দিৰৰ পৰা অলপ আঁতৰত মদনাচল পাহাৰৰ ওপৰত অৱস্থিত কেদাৰেশ্বৰ এটি প্ৰাচীন মন্দিৰ। এই মন্দিৰৰ উপাস্য দেৱতা হ'ল 'শিৱ'। এই কেদাৰ মন্দিৰৰ লগতে কেদাৰ পুখুৰীৰ পাৰত কমলেশ্বৰ মন্দিৰ অৱস্থিত। ইয়াৰ বিগ্ৰহো শিৱ লিংগ।

মদনাচল পাহাৰৰ পশ্চিম পিনে কিছু নামনিত গোকৰ্ণ পাহাৰত কামেশ্বৰ মন্দিৰ অৱস্থিত। এই মন্দিৰৰ বিগ্ৰহো শিৱ লিংগ। কামেশ্বৰ মন্দিৰৰ নামনিত গণেশ মন্দিৰ অৱস্থিত। এটা প্ৰকাণ্ড শিলত খোদিত গণেশৰ এই মূৰ্তিৰ আৱিৰ্ভাৱ কাল সঠিকভাৱে জনা নাযায়। কেৱল আহোম ৰজা প্ৰমত্ত সিংহই ১৭৪৪ চনত বৰ্তমানৰ মন্দিৰটো নিৰ্মাণ কৰাইছিল।

এই পাঁচখন তীৰ্থৰ উপৰি কেদাৰ মন্দিৰৰ গাতে লাগি থকা আন এটা প্ৰসিদ্ধ হিন্দু মন্দিৰ হ'ল জয়দুৰ্গা মন্দিৰ। আহোম ৰজা লক্ষী সিংহই ১৭৭৪ চনত এই মন্দিৰটো স্থাপন কৰে। ই এটা শাক্ত মন্দিৰ। ইয়াৰ উপৰি কপিল মুনিৰ আশ্ৰম, মহাপ্ৰভূ চৈতন্যদেৱৰ নামেৰে চৈতন্যঘোপা, ভীমে পঁইতা ভাত খোৱা চৰিয়াটো, ষাড়গৰু, নেতাই ধুবুনীৰ ঘাট, সৰ্প যোৱা ৰাস্তা, গৌতম বুদ্ধক লৈ জড়িত কৰা বিশাল শালগছজোপা, বৰাহকুণ্ড, সৰগ দুৱাৰ (সৰগলৈ যোৱা ৰাস্তা) আদি পৰ্যটকক আকৰ্ষণ কৰিব পৰা বহু কীৰ্তিচিহ্ন আছে।

**পোৱামক্কা দৰগাহ ঃ**

হিন্দুৰ সমানে ইছলামধৰ্মী লোকসকলৰ বাবেও হাজো পবিত্ৰ তীৰ্থভূমি। নিজ হাজোৰ গড়ুৰাচল পাহাৰৰ শিখৰত অৱস্থিত পোৱামক্কা দৰগাহ শ্বৰীফ মুছলমানসকলৰ বাবে এখনি পুণ্য তীৰ্থ। এই তীৰ্থত গিয়াছুদ্দিন আউলিয়া নামৰ এগৰাকী পীৰৰ মাজাৰ আছে। তেওঁ শ্বাহ বংশৰ আৰু সুদুৰ ইৰাকৰ চুলতান আছিল। কালক্ৰমত বুদ্ধদেৱৰ নিচিনাকৈ দেশৰ শাসনভাৰ ত্যাগ কৰি ইছলাম ধৰ্ম প্ৰচাৰৰ বাবে ৭০ জন পীৰ লগত লৈ নিজৰ দেশৰ পৰা ওলাই আহি এসময়ত অসম দেশৰ হাজোৰ গড়ুৰাচল পাহাৰত থিতাপি লয়। ইয়াৰ পৰাই ধৰ্মপ্ৰচাৰ কৰি তেওঁৰ ইন্তেকাল হয়। প্ৰবাদ আছে যে তেওঁ মক্কা শ্বৰীফৰ পৰা এপোৱা মাটি আনি ইয়াত স্থাপিত কৰিছিল বাবে এই তীৰ্থক্ষেত্ৰৰ নাম পোৱামক্কা হয়। তেওঁৰ সমাধিৰ কাষতে ছাহজাহানৰ পুত্ৰ ছুজাউদ্দিনে বংগৰ নবাব থকা সময়ত ১৬৫৭ চনত এই মাজাৰটো সজাইছিল। ইছলামধৰ্মী লোকৰ মনত মক্কা, মদিনাৰ পিচতেই পোৱামক্কাই গুৰুত্ব পাই আহিছে। সেয়েহে যিসকল লোকে মক্কালৈ গৈ হজ কৰিব পৰা নাই, তেওঁলোকে পোৱামক্কা দৰ্শন কৰিলেও কিছু পুণ্য

অৰ্জন কৰিব পাৰি বুলি বিশ্বাস কৰে। ইছলামধৰ্মী লোকসকলৰ সমানেই হিন্দু ধৰ্মাৱলম্বী লোকেও আগ্ৰহেৰে পোৱামক্কা মাজাৰ শ্বৰীফ দৰ্শন কৰে আৰু আল্লাৰ ওচৰত মমবাতি, ধূপ আদি আগবঢ়াই দোৱা মাগে। বিশেষকৈ উৰুছৰ সময়ছোৱাত অগণন দৰ্শনাৰ্থীৰ পোৱামক্কালৈ আগমন হয়। উৰুছ মাঘৰ প্ৰথম বিহুৰ দিনা (সংক্ৰান্তি) আৰম্ভ হৈ মাঘী পূৰ্ণিমাত পূৰ্ণ উৰুছ হয়। সেইদিনা হেজাৰ হেজাৰ তীৰ্থযাত্ৰীৰ সমাগম হয়।

**ধোপৰগুৰি সত্ৰ ঃ**

নৱবৈষণ্ৱ ধৰ্মৰ আদৰ্শৰ প্ৰচাৰ প্ৰসাৰৰ ক্ষেত্ৰতো হাজোৰ স্থান উল্লেখনীয়। বৈষ্ণৱ ধৰ্মৰ গুৰুসকল শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱ আদি পদাৰ্পণে হাজোক ধন্য কৰিছে। মহাপুৰুষ মাধৱদেৱৰ নিৰ্দেশত লক্ষীকান্ত আতৈয়ে ১৫৮৭ চনত লখাইতৰা নদীৰ পাৰত নিজ হাজোৰ ধোপৰগুৰিত তিনিটা কোঠাযুক্ত এটি গৃহ নিৰ্মাণ কৰি সত্ৰ পাতে। ইয়াৰ পিছৰ বছৰত অৰ্থাৎ ১৫৮৮ চনত মাধৱদেৱে ধোপৰগুৰি সত্ৰত পদাৰ্পণ কৰি ছমাহকাল হাজোত কটাইছিল। মহাপুৰুষ শংকৰদেৱেৰ সমসাময়িক কবি অনন্ত কন্দলীকে আদি কৰি বৈষ্ণৱ কবিসকলৰ ধৰ্মচৰ্চাৰ কেন্দ্ৰ আছিল এই পুণ্যভূমি হাজো।

**সাহিত্য ক্ষেত্ৰত হাজো ঃ**

সুদূৰ অতীজৰে পৰা হাজো উত্তৰ-পূৰ ভাৰতৰ ধৰ্ম আৰু সাহিত্য চৰ্চাৰ কেন্দ্ৰ আছিল। প্ৰাচীনকালত উৰ্বা আদি ঋষিসকলে হাজোৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যত মুগ্ধ হৈ ইয়াতে জ্ঞান, ধ্যান, যোগ আদি চৰ্চা কৰিছিল। বেদ আদি চৰ্চাৰ উপৰি হিন্দু আৰু বৌদ্ধ দৰ্শনৰ চৰ্চাও হাজোত হৈছিল। জগত গুৰু শংকৰাচাৰ্যৰ গুৰু কুমাৰিল ভট্টপাদে বৌদ্ধ আৰু জৈন ধৰ্মৰ বিৰুদ্ধে যুক্তি তৰ্কৰ সূচনা ইয়াৰ পৰাই কৰিছিল বুলি বহুতে কয়। মহাপ্ৰভু চৈতন্যদেৱ হাজোলৈ আহি ধৰ্ম চৰ্চা কৰিছিল। পোৱামক্কা দৰগাহ শ্বৰীফত ইছলাম ধৰ্মৰ চৰ্চা হৈ বৈষ্ণৱ সন্ত-মহন্তসকলে হাজোত পদাৰ্পণ কৰি ইয়াতে সাহিত্য চৰ্চ্চা কৰিছিল। তদুপৰি বহু সাহিত্যিকৰ জন্মভূমি হাজো। নৱবৈষণ্ৱ যুগৰ এগৰাকী শ্ৰেষ্ঠ কবি ভাগৱত ভট্টাচাৰ্য, অনন্ত কন্দলী, গীতিকবি দুৰ্গাবৰ কায়স্থ, হৰিপ্ৰসংগৰ যুটীয়া ৰচক হলিৰাম মেধি, শিশু সাহিত্যিক বিষয় চন্দ্ৰ বিশ্বাসী, ঈশ্বৰবাদৰ ৰচক হৰকান্ত দাস (এডভোকেট) আদি কৃতী সাহিত্যিকসকলৰ জন্মভূমি নিজ হাজো। এওঁলোকৰ উপৰি বৈষ্ণৱ যুগৰ সুপ্ৰসিদ্ধ কবি ৰাম সৰস্বতী, ভাষাবিদ কালিৰাম মেধি, বিহগী কবি ৰঘুনাথ চৌধাৰী বৃহত্তৰ হাজোৰ লোক। বৰ্তমানেও হাজো অঞ্চলৰ বহুকেইজন লোকে অসমীয়া ভাষা-সাহিত্যলৈ প্ৰভূত বৰঙণি আগবঢ়াই আহিছে।

**হাজোৰ কলা সংস্কৃতি ঃ**

কলা-সংস্কৃতিৰ ক্ষেত্ৰতো অতীজৰে পৰা হাজো আগবঢ়া। এসময়ত হাজোৰ দেৱদাসী নৃত্যই সমগ্ৰ ভাৰতবৰ্ষতে সমাদৰ লাভ কৰিছিল। হয়গ্ৰীৱ মাধৱ বন্দনাৰ বাবে এই নৃত্য পুৰণিকালৰ পৰা মাধৱ মন্দিৰত প্ৰচলিত আছিল। এসময়ত ওজাপালি আৰু নাগাৰা নামত হাজো প্ৰখ্যাত আছিল। ধোপৰগুৰি সত্ৰত অংকীয়া ভাওনাৰ প্ৰচুৰ প্ৰচলন আছিল। খোলা মঞ্চত যাত্ৰাপাৰ্টিৰ ক্ষেত্ৰত হাজোৰ সুকীয়া নাম আছে। কেইজনমান কলাপ্ৰেমীৰ প্ৰচেষ্টাত ১৯৬৩ চনত প্ৰতিষ্ঠা হয় 'হাজো নাট্য কলাকেন্দ্ৰ'। এতিয়াও যাত্ৰাভিনয়ৰ প্ৰখ্যাত অভিনেতা হৰেন পালোৱানৰ নাম অসমৰ গাঁওসমূহৰ মানুহৰ মুখে মুখে প্ৰচলিত হৈ আছে। অসমৰ আগশাৰীৰ থিয়েটাৰ 'পূৰ্বজ্যোতি' প্ৰয়াত কৰুণাকান্ত মজুমদাৰৰ প্ৰযোজনাত ১৯৬৬ চনতে জন্ম হৈছিল আৰু ইয়াত ড° ভূপেন হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা, ফণী শৰ্মা, আদ্যনাথ শৰ্মা, জয়ন্ত হাজৰিকা আদি কলা শিল্পীসকল জড়িত আছিল। আনহাতে ১৯৬৭-৬৮ চনত ফণী শৰ্মা, সৰ্বেশ্বৰ চক্ৰৱৰ্ত্তী, তছদ্দুক ইউচুফ, বীণা দাস আদি শিল্পীসকলক লৈ প্ৰয়াত মমত চন্দ্ৰ মজুমদাৰে 'নৱ নাট্য পৰিষদ' নামৰ এটি চলন্ত নাট্যদল গঠন কৰিছিল। ইয়াৰ উপৰি হাজোৰ প্ৰায় প্ৰতি টোলাতে একোটি স্থানীয় নাট্যদল গঠন হৈছিল। কৌতুক অভিনেতা লক্ষ্মীনন্দন মজুমদাৰ, কমলাকান্ত মালাকাৰ আদি শিল্পীসকলৰ অভিনয়ৰ কথা এতিয়াও সকলোৱে সোঁৱৰে।

**হাজোৰ শিল্পকলা ঃ**

ধৰ্ম-সংস্কৃতিৰ সমানে বিভিন্ন শিল্পকৰ্মৰ বাবেও হাজো প্ৰসিদ্ধ। পোৰামাটিৰ ভাস্কৰ্য (মৃৎশিল্প), বয়নশিল্প, পুষ্পশিল্প, কাষ্ঠশিল্প, বাঁহ-বেতৰ শিল্প, পিতল শিল্প আদি হাজোৰ প্ৰাচীন শিল্পকৰ্ম। বিশেষকৈ পিতল শিল্পৰ কৰ্মৰ বাবে অ সমত হাজোৰ এক সুকীয়া সুনাম আছে. হাজোত তৈয়াৰী মঠ-মন্দিৰৰ ডাঙৰ কলচি, প্ৰকাণ্ড থালি, দবা, টৌ, চৰিয়া, কলহ, ঘৰুৱা ব্যৱহাৰ্য পিতলৰ সামগ্ৰীৰ আদিৰ চাহিদা বৰ্তমানো নোহোৱা নহয়। তথাপি ৰাজ্যৰ বাহিৰৰ উৎপাদিত ৰংচঙীয়া সস্তা সামগ্ৰীয়ে অসমৰ বজাৰ দখল কৰাৰ বাবে বৰ্তমান এই পিতল শিল্পই আগৰ মৰ্যাদা বহু পৰিমাণে হেৰুৱাইছে।

**শিক্ষা ক্ষেত্ৰত হাজো ঃ**

প্ৰাচীনকালত ইয়াত টোল আদিৰ যোগেদি বেদাদি অধ্যয়ন কৰা হৈছিল। ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত 'মান'ৰ লগত হোৱা ইংৰাজৰ ইয়াণ্ডাবু চুক্তি মৰ্মে অসম ৰাজ্য ব্ৰিটিছৰ অধীন হয়। কমিছনাৰ ডেভিদ স্কটৰ প্ৰস্তাৱ অনুসৰি ১৮২৬ চনতে আধুনিক শিক্ষাৰ পাতনি মেলাৰ উদ্দেশ্যে অসমত প্ৰথম এঘাৰখন স্কুল স্থাপনৰ সিদ্ধান্ত লোৱা হৈছিল। ইয়াত হাজোকো অন্তভূৰ্ক্ত কৰা হৈছিল। সদাৰামীনৰ আত্মজীৱনীতো (১৮৪২-৪৩ চনৰ ডায়েৰী) হাজোত স্কুল স্থাপনৰ কথা উল্লেখ আছে।

ঊনবিংশ শতাব্দীৰ শেষৰ পৰা হাজোত আধুনিক শিক্ষাৰ প্ৰসাৰ হয়। এই কালছোৱাৰ পৰা উচ্চ প্ৰাইমাৰী, মজলীয়া বিদ্যালয়ত শিক্ষা লাভ কৰাৰ সুযোগ হাজোত হৈছিল। বৰ্তমান নিজ হাজোত এখন মহাবিদ্যালয়, এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, তিনিখন প্ৰাদেশীকৃত উচ্চ মাধ্যমিক, এখন শংকৰদেৱ বিদ্যা নিকেতন, এখন জাতীয় বিদ্যালয়, চাৰিখন ইংৰাজী মাধ্যমৰ বিদ্যালয়, চৈধ্যখন প্ৰাথমিক আৰু দুখন উচ্চ প্ৰাথমিক বিদ্যালয় আছে।

**ৰাজনৈতিকভাৱে হাজো ঃ**

ৰাজনৈতিকভাৱে হাজোৱে অতীজৰে পৰা গুৰুত্ব পাই আহিছে। বিশেষকৈ আহোম, কোচ আৰু মোগল-এই তিনি ৰাততন্ত্ৰৰ সময়ত হাজোৱে এক সুকীয়া স্থান পাইছে। ৰঘুদেৱ নাৰায়ণৰ সময়ত যোল্লশ শতিকাত বিশাল কোচ সাম্ৰাজ্যৰ ৰাজধানী আছিল কোচ হাজো। ভাৰতৰ স্বাধীনতা আন্দোলনতো হাজো অঞ্চলৰ বৰঙণি প্ৰচুৰ। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ অসম তথা ভাৰতবৰ্ষৰ আগশাৰীৰ স্বাধীনতা সংগ্ৰামী বিষ্ণুৰাম

মেধি আছিল নিজ হাজোৰ লোক। তেওঁ অসমৰ দ্বিতীয়গৰাকী মুখ্যমন্ত্ৰী আৰু প্ৰথম অসমীয়া ৰাজ্যপাল আছিল। দূৰদৰ্শী মেধিদেৱে ভাৰত চৰকাৰৰ বাধাও আওকাণ কৰি অবৈধ বাংলাদেশী (তেতিয়াৰ পূব পাকিস্থানী) অসম ভূমিৰ পৰা উচ্ছেদ কৰি সাহসিকতাৰ পৰিচয় দিছিল। ফলত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ ৰোষত পৰি মুখ্যমন্ত্ৰীত্ব হেৰুৱাবলগীয়াত পৰিছিল। ইয়াৰ বাবে তেওঁ অসম প্ৰেমী হিচাপে চিৰকাল স্মৰণীয় হৈ ৰ'ব। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বিশিষ্ট ৰাজনীতিবিদ শ্ৰীমতী ৰেণুকা দেৱী বৰকটকীৰ জন্মভূমি নিজ হাজো।

**হাজোৰ মণিকূট উৎসৱ সমন্বয়ৰ অন্য নামঃ**

হয়গ্ৰীৱ মাধৱ মন্দিৰৰ নামনিত, মণিকূট পাহাৰৰ পাদতলত, পবিত্ৰ মাধৱ পুখুৰী 'বিষ্ণুপুষ্কৰ'ৰ পাৰত অজানা দিনৰে পৰা প্ৰতিবছৰে মাঘ বিহুত 'মাঘ মেলা' উদ্‌যাপন হৈ আহিছে। ইয়াৰে এক পৰিকল্পিত আৰু সুশৃংখলিত ৰূপত ১৯৯২ চনৰ ১৫, ১৬ আৰু ১৭ জানুৱাৰীত প্ৰথমবাৰৰ বাবে উদ্‌যাপন হৈছিল 'মণিকূট উৎসৱ'। ই এক পৰম্পৰাগত লোক উৎসৱ। ১ মাঘ তাৰিখে এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা হয় পোৱামক্কাৰ পৰা মাধৱ মন্দিৰ প্ৰাংগণলৈ। প্ৰথম বিহু অৰ্থাৎ সংক্ৰান্তিৰ দিনা অনুষ্ঠিত হয় ঐতিহাসিক বুলবুলি চৰাইৰ যুঁজ। ১৯৯২ চনৰ ৬ ডিচেম্বৰ তাৰিখে বাবৰি মছজিদ ধ্বংসৰ পিছত হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত মণিকূট উৎসৱৰ লগতে বৰবিহুৰ দিনা (এক মাঘ) শান্তি সম্প্ৰীতিৰ বাণী কঢ়িয়াই 'সমন্বয় শোভাযাত্ৰা' অনুষ্ঠিত কৰি আহিছে। এই শোভাযাত্ৰা পোৱামক্কা দৰগাহৰ খাদিম চাহেব আৰু হাজো পঞ্চ দেৱালয়ৰ দলৈ মহোদয়ে সমন্বয় পতাকা লৈ পোৱামক্কাৰ পৰা মাধৱ মন্দিৰলৈ হিন্দু-মুছলমান আৰু অন্যান্য সম্প্ৰদায়ৰ কলা-কৃষ্টি প্ৰদৰ্শনেৰে শোভাযাত্ৰা কৰি মাধৱ দোমোঠাৰগুৰিৰ 'মণিকূট উৎসৱ'ত বিলীন হৈ যায়। এই মণিকূট উৎসৱ সমন্বয়ৰ প্ৰতীক। এই সমন্বয়ে কঢ়িয়াই আনক সমাজলৈ শান্তি। শান্তিয়ে আনক প্ৰগতি। পৃথিৱীৰ সকলোৰেই সুখ-শান্তিৰে থাকক-এয়াই এই মণিকূট উৎসৱৰ বাণী।

■ অৱসৰপ্ৰাপ্ত শিক্ষক, হাজো এছ.বি.এছ.কে.আৰ. উচ্চতৰ মাধ্যমিক বিদ্যালয়





# সুৰেন দাস মহাবিদ্যালয়, হাজো ঃ এক বিহঙ্গম দৃষ্টি

■ ড° বিনীতা দেৱী

তীৰ্থ নগৰী হাজো বিভিন্ন জাতি, ধৰ্ম, বৰ্ণ সম্প্ৰদায়ৰ লোকৰ মিলনৰ পুণ্যভূমি। বৈষ্ণৱ কবি অনন্ত কন্দলীয়ে ৰামায়ণৰ অযোধ্যা কাণ্ডত উল্লেখ কৰিছে ঃ

হাজো হেন নাম পবিত্ৰ উত্তম
স্থান কামৰূপৰ মাঝে
মণিকূট গিৰি শিখৰত আছা
হয়গ্ৰীৱ দেৱৰাজে।

প্ৰাচীন কালৰে পৰা হাজোই উত্তৰ পূৱ ভাৰতৰ ধৰ্মীয় আৰু শিক্ষা সংস্কৃতিৰ কেন্দ্ৰস্থল হিচাপে নিজৰ সুকীয়া পৰিচয় দি আহিছে। ইংৰাজসকলৰ শাসনকালত হাজোত কেইবাখনো শিক্ষানুষ্ঠান স্থাপন কৰা হৈছিল যদিও উচ্চ শিক্ষাৰ বিকাশৰ বাবে তেনে কোনো শিক্ষানুষ্ঠান স্থাপন কৰা হোৱা নাছিল। স্বাধীনতাৰ পিছত ষাঠিৰ দশকৰ আৰম্ভণিৰে পৰা হাজোত মহাবিদ্যালয় স্থাপনৰ চিন্তা-চৰ্চা চলিছিল।

সত্তৰৰ দশকৰ শেষৰফালে যুৱ অধিবক্তা ভূপেশ মালাকাৰদেৱৰ উদ্যোগত আৰু হাজো অঞ্চলৰ ৰাইজৰ সহযোগত হাজোত মহাবিদ্যালয় এখন স্থাপনৰ যো-জা চলোৱা হৈছিল। সেই উদ্দেশ্যে অনুষ্ঠিত হোৱা সভাত 'হাজো আঞ্চলিক মহাবিদ্যালয়' নামেৰে এখন মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছিল। ফলস্বৰূপে ১৯৭৯ চনৰ ২৯ আগষ্ট তাৰিখে হাজো আঞ্চলিক মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছিল। সেই সময়ত মহাবিদ্যালয়খনৰ নিজা বাসভৱন নথকা বাবে হাজো এচ্, বি, এচ, কে, আৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৯৭৯ চনৰ শিক্ষা বৰ্ষৰ পৰা প্ৰি-ইউনিৰ্ভাচিটিৰ কলাশাখাৰ শ্ৰেণীসমূহ অনুষ্ঠিত কৰা হৈছিল। অধ্যক্ষ হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল প্ৰয়াত ইক্ৰামুদ্দিন শইকীয়াদেৱে। মহাবিদ্যালয়খনে প্ৰতিষ্ঠালগ্নৰে পৰা নিৰবচ্ছিন্ন ভাৱে শিক্ষা, সাহিত্য, সংস্কৃতি, খেলা-ধূলা আদিৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে।

ৰাইজৰ দান-বৰঙণিৰ জৰিয়তে পোৱা ধনেৰে মহাবিদ্যালয়খনৰ কাম কাজ পৰিচালনা কৰা হৈছিল। মহাবিদ্যালয়ৰ সাহায্যৰ্থে থিয়েটাৰ, লটাৰী আদিও অনুষ্ঠিত কৰা হৈছিল। হাজোৰ ১ নং হাজো গাঁও পঞ্চায়ত সমবায় সমিতিৰ অধীনৰ সুলভমূল্যৰ দোকানৰ সমূহ গ্ৰাহকৰ পৰা প্ৰতিকেজি চাউল আৰু চেনীত ১০ পইচা অতিৰিক্ত হিচাপে লৈ সংগ্ৰহ কৰা ধনৰাশি মহাবিদ্যালয়খনলৈ আগবঢ়োৱা হৈছিল। হাজোৰ ধোপৰগুৰি সত্ৰই ১৯৮২ চন সত্ৰৰ ১৪ বিঘা ৩ কঠা ৭ লেচা মাটি মহাবিদ্যালয়ৰ নামত দান কৰিছিল। হাজোৰ সু-সন্তান স্বৰ্গীয় সুৰেন দাস দেৱৰ পৰিয়ালবৰ্গই মহাবিদ্যালয়খনৰ বাবে এটি দুমহলীয়া ভৱন নিৰ্মাণ কৰি দিয়ে। তেতিয়াৰে পৰা মহাবিদ্যালয়খনত নিজাববীয়াকৈ শ্ৰেণীসমূহ

অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰা হয়। ১৯৮৩ চনৰ পৰা মহাবিদ্যালয়খনক "হাজো আঞ্চলিক মহাবিদ্যালয়" ৰ পৰিৱৰ্তে "সুৰেন দাস মহাবিদ্যালয়" নামেৰে জনা যায়।

১৯৭৯ চনত স্থাপন হোৱা মহাবিদ্যালয়খনে ১৯৮৭ চনত অসম চৰকাৰৰ মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয়ৰ অধীনলৈ আহে আৰু ১৯৯৪ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা স্থায়ী স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়।

পৰৱৰ্ত্তী পৰ্য্যায়ত বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে বিজ্ঞান শাখা খোলাৰ চিন্তা-চৰ্চা কৰা হয়। মহাবিদ্যালয়খনে ঘাটিমঞ্জুৰী পোৱাৰ পিছতো ১ নং হাজো গাঁও পঞ্চায়ত সমবায় সমিতিৰ অধীনৰ সুলভ মূল্যৰ দোকানৰ গ্ৰাহক সকলৰ পৰা ১০ পইচাৰ বৰঙণি সংগ্ৰহ প্ৰক্ৰিয়াটো বাহাল থাকে আৰু উক্ত সংগৃহীত ধনেৰে মহাবিদ্যালয়খনত এটি বিজ্ঞানভৱন সমবায় সমিতিয়ে নিৰ্মাণ কৰি দিয়ে। ২০০৯ চনৰ পৰা উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ শ্ৰেণীসমূহ এই বিজ্ঞান ভৱনটোতে চলি আছে।

মহাবিদ্যালয়খনত কলাশাখাত মুঠ ১১ টা বিভাগ আৰু বিজ্ঞান শাখাত মুঠ ৫ টা বিভাগ আছে। কলাশাখাৰ মুঠ ৭ টা বিভাগ আৰু বিজ্ঞান শাখাৰ মুঠ ৫ টা বিভাগতে মেজৰ পাঠ্যক্ৰম খোলা হৈছে। ইয়াৰোপৰি শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎ জীৱনৰ আত্মনিৰ্ভৰশীলতাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি কেইটামান বৃত্তিমূলক বিষয় যেনে—PGDCA, Computer Fundamentals, DTP, TALLY, Cutting & Knitting পাঠ্যক্ৰমত সংযোজন কৰা হৈছে। দূৰবৰ্ত্তী শিক্ষাৰ বিকাশৰ বাবে মহাবিদ্যালয়খনত IDOL ৰ এটা তথ্য কেন্দ্ৰ আৰু KKHSOU ৰ অধ্যয়ন কেন্দ্ৰ খোলা হৈছে। ইয়াৰোপৰি আগন্তুক শিক্ষাবৰ্ষৰ পৰা ৰাজনীতি বিজ্ঞান বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰৱৰ্ত্তণৰ বাবে মহাবিদ্যালয়খনে বিশ্ববিদ্যালয়ৰ পৰা অনুমোদন লাভ কৰিছে। ২০১৮ চনত অসম চৰকাৰে অসমৰ ৫০ খন ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলাৰ বাবে অনুমোদন জনাইছিল। সৌভাগ্যৰ কথা যে সেই ৫০ খন মহাবিদ্যালয়ৰ ভিতৰত সুৰেন দাস মহাবিদ্যালয়কো অন্তৰ্ভূক্ত কৰা হৈছিল। ফলস্বৰূপে ২০১৮ চনৰ পৰা মহাবিদ্যালয়খনত স্নাতক পৰ্যায়ৰ বিজ্ঞান শাখাৰ পাঠদান আৰম্ভ হৈছে।

মহাবিদ্যালয়খনৰ আন্তঃগাঁঠনি ক্ৰমান্বয়ে উন্নত হবলৈ ধৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু অসম চৰকাৰৰ পৰা লাভ কৰা অনুদানৰ জৰিয়তে মহাবিদ্যালয়খনত পুথিভঁৰাল, কেণ্টিন, ছাত্ৰীনিবাস, সভাকক্ষ (Seminer Hall), প্ৰেক্ষাগৃহ - (Auditorium) Smart classroom, Language Lab, প্ৰতিটো বিভাগৰে সুকীয়াকৈ কোঠা, খেলপথাৰৰ উন্নয়ন, মহাবিদ্যালয়ৰ প্ৰবেশ পথৰ লগতে তোৰণ নিৰ্মাণ কৰা হৈছে। Indoor Stadium নিৰ্মিয়মাণ অৱস্থাত আছে। RUSA (Rashtriya Uchchatar Shiksha Abhiyan) ৰ পৰা লাভ কৰা অনুদানেও মহাবিদ্যালয়খনৰ আন্তঃগাঁঠনিৰ উন্নতিত যথেষ্ট অৰিহণা যোগাইছে। মহাবিদ্যালয়ত খেলপথাৰত এখন বাছকেটবল ক'ট (Basket ball court) নিৰ্মাণ কৰা হৈছে।

মহাবিদ্যালয়খনত প্ৰায় ২০,০০০ খন গ্ৰন্থেৰে সমৃদ্ধ এটি গ্ৰন্থাগাৰ আছে। ইয়াত ইণ্টাৰনেট, ইনফ্লিৱনেট সেৱা (Inflibnet), Wi-fi, ফটোষ্টেট আদি সুবিধা উপলব্ধ।

শিক্ষাৰ্থীৰ সৰ্বাত্মক বিকাশত ক্ৰীড়াৰ ভূমিকা অতুলনীয়। মহাবিদ্যালয়খনে শিক্ষাৰ্থীসকলৰ মাজত খেলাৰ প্ৰৱণতাৰ বিকাশৰ বাবে সময়ে সময়ে বিভিন্নধৰণৰ খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত





কৰি আহিছে। ১৯৯৬ চনত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাখন সুৰেন দাস মহাবিদ্যালয়তে অনুষ্ঠিত হৈছিল। ২০১৫ চনত এই মহাবিদ্যালয়ত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হৈছিল। ২০১৭ চনত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় কাবাডী আৰু আৰ্চাৰী প্ৰতিযোগিতাখন এই মহাবিদ্যালয়তে অনুষ্ঠিত হৈ যায়। ২০১৯ চনৰ মাৰ্চ মাহত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় আৰ্চাৰী আৰু টেবল টেনিছ প্ৰতিযোগিতাখন সুৰেন দাস মহাবিদ্যালয়তে সুকলমে অনুষ্ঠিত হৈ যায়। চলিত ২০১৯ চনৰ এপ্ৰিল মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ (কেন্দ্ৰীয় মণ্ডল) ২০১৯ অনুষ্ঠিত কৰাৰ বাবে সুৰেন দাস মহাবিদ্যালয়ক দায়িত্ব অৰ্পণ কৰা হৈছে।

মহাবিদ্যালয়খনে ২০০৫ চনত NAAC (National Assessment and Accreditation Council) ৰ প্ৰথমবাৰ পৰিদৰ্শনৰ যোগেদি '$C^{++}$' গ্ৰেড লাভ কৰিবলৈ সক্ষম হয়। ২০১৫ চনত পুনৰবাৰ NAAC পৰিদৰ্শনৰ যোগেদি 'B' গ্ৰেড লাভ কৰে।

মহাবিদ্যালয়খনৰ পৰা উত্তীৰ্ণ হোৱা যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে সমাজৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত হৈছে লগতে সামাজিক, সাংস্কৃতিক, বৌদ্ধিক, ৰাজনৈতিক, শৈক্ষিক আদি বিভিন্ন দিশত নেতৃত্ব দিবলৈ সক্ষম হৈছে। বৰ্ত্তমান মহাবিদ্যালয়খনত ১৫০০ তকৈ অধিক শিক্ষাৰ্থীয়ে শিক্ষাগ্ৰহণ কৰি আছে। ২০১৬ চনৰ পৰা মাননীয় ড° হিৰণ্যকুমাৰ শৰ্মাদেৱে মহাবিদ্যালয়খনত অধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে। তেখেতে মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈছে। সুৰেন দাস মহাবিদ্যালয়খনক উচ্চ শিক্ষাৰ এখন জাকত জিলিকা অনুষ্ঠান হিচাপে সমাজত প্ৰতিষ্ঠিত কৰিবলৈ হাজো অঞ্চলৰ ৰাইজ, মহাবিদ্যালয় পৰিচালনা সমিতি, বিভিন্ন বিদ্যানুৰাগী ব্যক্তি, অধ্যক্ষ সমন্বিতে শিক্ষক-কৰ্মচাৰী সকলোৱে নিৰৱচ্ছিন্ন প্ৰচেষ্টা চলাই আহিছে।

■ সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ, সুৰেন দাস মহাবিদ্যালয়, হাজো

# GAUHATI UNIVERSITY
# INTER COLLEGE ZONAL YOUTH FESTIVAL, 2018-19 (CENTRAL ZONE)
## ORGANISED BY - SUREN DAS COLLEGE, HAJO
## DATE : 25TH, 26TH & 27TH APRIL, 2019

**Chief patron** : Prof. Mridul Hazarika, Vice-Chancellor, GU
**Patron** : Dr. Prabin Ch. Das, President G.B.
**Advisors** : Mr. Jadab Ch. Das, Donar Member
Mr. Mohan Ch. Malakar, President, Dhoparguri Satra
Mr. Kamal Baruah,C.O., Hajo Circle
Mr.Prakash Das, A.G.S. AASU
Mr. Bhaskar Barman O.C. Hajo P.S.
Mr. Golok Ch. Oja, President, Hajo Raij
Mr. Gautam Saikia, Secretary, Hajo Raij
President, Hajo 1 No. Gaon Panchayat Samabai Samiti
Mr. Promod Ch. Medhi, Retd. Principal, Hajo SBSKR H.S. School

**Steering Committee**

President : Dr. Hiranya Kr. Sarma, Principal
Secretary : Dr. Ali Akbar Hussain
Asstt. Secretary : Mr. Mahamudul Haque, President, students Union
Mr. Iftikar Hussain, GS, Students' Union
Co-ordinator : Dr. Ramen Medhi
Asstt. Co-ordinators : Dr. Binita Das
Mr. Jayanta Kr. Das
Dr. Ranju Thakuria
Members : Mr. Parash Mani Kalita
Mr. Biswajit Kalita
Mr. Amulya Kalita
Mr. Rajib Das
Mr. Aniruddha Medhi





**Accommodation Committee**

Jt. Convenor : Mr. Biren Kumar Das
Mr. Amulya Kalita
Members : Dr. Meena K. Devi
Mr. Biswajit Kalita
Mr. Abul Hussain
Mr. Mokhtar Hussain
Mrs. Sabita Kalita
Mr. Partha Pratim Rajbongshi
Mr. Amarjit Medhi
Mr. Minhaj Alom
Mr. Shasanka Shikhar Choudhury
Mr. Imdad Ahmed

**Food Committee**

Co-ordinators : Mr. Golok Oja
Mr. Harendra Nath Bhattacharyya
Mr. Mannoj Medhi
Members : Mr. Bipul Ch. Mahanta
Mr. Abul Hussain
Mr. Aniruddha Medhi
Mr. Ajaharuddin Ahmed
Mr. Nripen Kalita
Mr. Nabajyoti Das
Mr. Bibekananda Das
Mr. Bhupen Das
Mr. Kabin Das
Mr. Kabin Kr. Das
All members of Students' Union

**Venue Committee**

Co-ordinator : Dr. Jitendra Deka
Members : Dr. Arup Kr. Deka
Dr. Kuldeep Deka
Mr. Bhabesh Kr. Choudhury
Mr. Tankeswar Das

Mr. Kamal Krishna Das
Mr. Nipu Kalita
Mr. Rejaul Hussain

**Reception & Registration Committee**

| | | |
|---|---|---|
| Co-ordinator | : | Mrs. Arati Deka |
| Members | : | Mr. Munindra Das |
| | | Mrs. Monmi Kakati |
| | | Mrs. Bharati Medhi |
| | | Mrs. Sabita Kalita |
| | | Mr. Parash Mani Kalita |
| | | Ms. Jumi Barman |
| | | Mr. Champak Choudhury |
| | | Mr. Kishor Kumar Das |
| | | Mr. Nayanjyoti Baishya |
| | | Mr. Imdad Ahmed |
| | | Mr. Nayanjyoti Kalita |

**Souvenir Committee**

| | | |
|---|---|---|
| Editor | : | Dr. Ripima Buzarbaruah |
| Members | : | Dr. Anjana Sarma |
| | | Mr. Biswajit Kalita |
| | | Dr. Ranju Thakuria |
| | | Dr. Binita Devi |
| | | Mr. Aniruddha Medhi |

**Medical Committee**

| | | |
|---|---|---|
| Advisor | : | Dr. Manomohan Maral, S.D.M.O., Hajo P.H.C. |
| Co-ordinator | : | Mr. Munindra Das |
| Members | : | Dr. Bipul Ch. Medhi |
| | | Dr. Binita Devi |
| | | Ms. Anindita Borah |
| | | Mr. Nabajyoti Das |
| | | Mr. Iftikar Hussain |





**Documentation, Press & Publicity Committee**

| | | |
|---|---|---|
| Jt. Co-ordinator | : | Mr. Dipanka Narayan Thakuria |
| | | Mr. Rajib Das |
| Members | : | Mr. Abul Hussain |
| | | Mr. Mokhtar Hussain |
| | | Ms. Jahnabi Das |
| | | Ms. Jumi Barman |
| | | Mr. Nayanjyoti Baishya |
| | | Mr. Abdul Gani Khan Choudhury |
| | | Mr. Jiten Saikia |
| | | All Reporters, Hajo Sangbadik Santha (Print & Electronic media) |

**Volunteer Committee**

| | | |
|---|---|---|
| Co-ordinator | : | Mr. Rajib Das |
| Memers | : | Mr. Munindra Das |
| | | Mr. Mokhtar Hussain |
| | | All members of Students' Union |

**Jury of Appeal**

| | | |
|---|---|---|
| Advisors | : | Dr. Prabin Ch. Das |
| | | Dr. Ranjan Kr. Kakati |
| Co-ordinator | : | Dr. Ali Akbar Hussain |
| Members | : | Mr. Biren Das |
| | | Dr. Meena K. Devi |
| | | Dr. Ripima Buzarbaruah |
| | | Mr. Bhaskar Baruah |

# GAUHATI UNIVERSITY
# INTER COLLEGE ZONAL YOUTH FESTIVAL, 2018-19
# (CENTRAL ZONE)
# PROGRAMME COMMITTEES

**Music Competition**

Venue -Dhoparguri Satra

Jt. Co-ordinator : Dr. Binta Das
Mr. Ahmed Mukut Choudhury

Members : Dr. Jitendra Deka
Mrs. Dipanjali Deka
Mr. Bhaskar Baruah
Mr. Pulen Deka
Mr. Tarani Kalita
Mr. Padmeswar Malakar

**Literary Competition**

Venue-Seminar Hall

Jt. Co-ordinator : Dr. Ranju Thakuria
Mr. Dipanka Narayan Thakuria

Members : Mr. Chabin Das
Dr. Binita Devi
Mrs. Bibharani Das
Ms. Jahnabi Das
Mr. Shekhar Jyoti Das

**Drama Competition**

Venue-Madhabdev Rangamacha





Jt. Co-ordinator : Mr. Aniruddha Medhi
Mr. Mokhtar Hussain

Members : Mr. Biswajit Kalita
Mr. Abul Hussain
Mr. Ajaharuddin Ahmed
Ms. Jumi Barman
Mr. Nipu Kalita
Mr. Nayanjyoti Kalita
Mr. Deep Barua

**Dance Competition**

Venue-Madhabdev Rangamancha

Jt. Co-ordinator : Dr. Meena K. Devi
Mr. Jayanta Kr. Das

Memers : Mr. Abul Hussain
Mrs. Bharati Medhi
Mrs. Sabita Kalita
Ms. Barasha Rani Malakar
Mr. Bhrigu Malakar

**Fine Arts competition**

Venue-Room No 5A

Jt. Co-ordinator : Mrs. Monmi Kakati
Mr. Parasmani Kalita

Members : Mr. Bichitra Natayan Thakuria
Dr. Arup Kr. Deka
Dr. Kakali Talukdar
Mrs. Mahsina Begum
Mr. Gautam Saikia
Mr. Rabin Das

# Gauhati University Inter College Zonal Youth Festival (Central Zone)

**April 25 to 27, 2019**

Organised by: **Suren Das College, Hajo**

## REVISED DETAILED PROGRAMME FOR COMPETITIONS

| Date & Day | Time and Programme | Venue 1 – Dhoparguri Satra Hajo | Venue 2 : Madhabdev Rangamanch (in college campus) | Venue 3: Seminar Hall (in college campus) | Venue 4 : Room No: 5A (Arts building ground floor) |
|---|---|---|---|---|---|
| Day-1 25-04-2019 Thursday | 8.00 am: **Registration**<br>8.30 am: **Breakfast**<br>9.00 am: **Flag Hoisting**<br>9.30 am: **Inauguration**<br>10.00 am **Team Managers' Meeting** (Venue: Teacher's Common Room) | **10.30 am onwards**<br>Borgeet<br>Classical Vocal<br>Light Classical<br>Folk Song<br>Bangeet<br>Rabindra Sangeet<br>Traditional Tribal Song<br>Percussion<br>Non-Percussion | **11.00 am onwards**<br>Folk/Tribal Dance<br>Classical Dance<br>Folk Orchestra<br>**6.00 pm** One Act Play | **11.00 am onwards**<br>Spot Photography & College Magazine Competition (Latest Publication)<br>***Latest 3 copies of college magazine to be submitted at the time of registration**<br>**12:00 pm onwards** - Quiz<br>**2.00 pm**<br>Self-Composed Poem Recitation (Assamese, Hindi, English) | **12.00 pm onwards**<br>Fine Arts<br>On the spot painting<br>Poster Making |
| Day-2 26-04-2019 Friday | | **9.00 am onwards**<br>Jyoti Sangeet<br>Bishnu Rabha Sangeet<br>Parbati Prasad Baruah Geet<br>Bhupendra Sangeet<br>Jayanta Hazarika's Song<br>Sugam Sangeet<br>Western Song<br>Group Song | **10.00 am onwards**<br>Skits<br>Mimicry<br>Mime<br>**5.00 pm onwards**<br>One Act Play | **12.00 pm onwards**<br>Debating & Elocution<br>Assamese/English/Hindi | **11.00 am onwards**<br>Cartooning<br>Collage<br>Clay Modelling |
| Day-3 27/04/2019 Saturday | **9.00 am**<br>Remaining Competition if any<br>**12.00 noon** Distribution of Certificates & Valedictory | | | | |
| **Name of Programme co-ordinator with contact no.-** | **Music** – Dr. Binita Das (7002378820), Amd. Mukut Choudhury (9101094219)<br>**Drama** – Aniruddha Medhi (7002855114), Mokhtar Hussain (8822973679)<br>**Fine Arts** - Monmi Kakati (8638513082), Parash Mani Kalita (8638003041) | | | **Dance** – Dr. Meena K. Devi (9435549855), Jayanta Kr. Das (8638810383)<br>**Literary** – Dr. Ranju Thakuria (8404022355) | |

- **Breakfast: 8:00 am- 10:00 am; Lunch Break : 1.30pm-3:00 pm ; Dinner : 9.00 pm-10:00 pm**

**Dr. Hiranya Kr. Sarma**
Chairman, Reception Committee
**Ph. 9435124475**

**Dr. Ali Akbar Hussain**
Secretary, Reception Committee
**Ph. 8011268633**

**Dr. Ramen Medhi**
Co-ordinator, Reception Committee
**Ph. 9101391849**





# LIST OF PARTICIPATING COLLEGES

(Till 11-30 a.m.)


1. K.C.Das Commerce College
2. Morigaon College
3. S.B.Deorah College
4. Arya Vidyapeeth College
5. Sonapur College
6. Art & Craft College
7. Chhaygaon College
8. Handique Girls' College
9. B.Barooah College
10. SBMS College
11. Rangia College
12. Gauhati Commerce College
13. Pub Kamrup College
14. Dimoria College
15. KHS College
16. LKRB State Music College
17. JN College
18. Jagiroad College
19. Suren Das College
20. Pandu College
21. Dakshin Kamrup College








Organised by
Das College, Ha




Inter College Zonal Youth Festival 2018-19 (Central Zone)
Organised by
Suren Das College, Hajo
INAUGURAL FUNCTION
Date : 25th April, 2019 (Thursday)




Gauhati University
Suren Das College, Hajo


Organised by





